# CONTENTS

## BUDGET SESSION

No. 15

Dated, the 6th April 2000


| | | |
|---|---|---|
| 1. | Ponits of Order | 1 |
| 2. | Question and Answe | 3 |
| 3. | Point of Order | 43 |
| 4. | Discussion during zero hour | 45 |
| 5. | Matter under rule 54 | 51 |
| 6. | Matter Under Rule 301 | 57 |
| 7. | Consideration and Passing of the Government Bills | 58 |
| 8. | Laying and Presentation of Reports and Notification | 67 |
| 9. | Adjournment | 68 |
| 10. | Annexure | 69 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 6th April, 2000

The House met at 4. P.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Katum, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

**Mr. Speaker** : Good evening.

## POINT OF ORDER

* **Shri Silvius Condpan** : Sir, I would like to raise a point of order under 34 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly. I am reading out the relevant portion of the said rule. The Rule says, " all business appointed for any day and not disposed of on that day shall stand over until the next day of the session available for business of the class to which it belongs. At the same time, I would like to quote the relevant portion from the 'Practice and Procedure of Parliament, which says' if the House adjourns without transacting any business on account of the death of a siting member or an ex-member or an outstanding personage or for any other Person, the formal items of business included in the List of Business for that day be put down in the List of Business for the following day. 'This is the position. Yesterday, the business of the House was suspended and the House was adjourned. I want your ruling, Sir, in this regard.

**Mr. Speaker** : I know it. Yesterday, I sought the approval of the House to consider for বাতিল of the business and accordingly, approval was given.

* **Shri Silvius Condpan** : Sir , we were under the impression that

---

* Speech not corrected

the business of yesterday was suspended and we were expecting that the business will be put down in the list today.

**Mr. Speaker** : Your impression is not correct.

* **Dr. Ardhendu Kumar Dey :** Sir , This is not a easy matter, Hon,ble Member, Shri Condpan has raised the point in accordance with the rule.

**Mr. Speaker** :— This is not the way to interrupt the business of the House. Hon'ble Members may kindly come to my room and discuss the matter with me after the House is adjourned.

* **Dr. Ardhendu Kumar Dey :** We are making submission according to rule. The rule said that the business listed on the appointed day if not transacted due to death of a sitting Hon'ble Member, the business should be taken up on next day.

**Mr. Speaker** :— It is question hour now. You can raise the issur after the question hour is over, if so desired.

(Starred Question No 242 was not raised as the Questeners of the said Question was not Present in the House when called upon.)

Now, Starred question No. 243, Hon'ble Member Shri Abdul Muqtadir Choudhury, Minister P & RD is to reply.

## Re.: Instalment of E.A.S money.

**Shri Abdul Muqtadir Choudhury** asked :

*243. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) The amount released as Ist instalment of EAS money for the year 1999-2000 for the completion of the incomplete work for Karimganj, Cachar and Hailakandi districts?

(b) Amount released to different Development Blocks of Karimganj

* Speech not corrected

Districts and the name of the scheme and amount sanctioned against each schemes to be mentioned Block-wise?

( List may be placed on the Table of the house)

**Shri Sahidul Alam Choudhury** ( Minister Panchayat and Rural Development) replied.

(a) 1) Karimaganj - Rs 95.23 Lakhs.
2) Cachar - Rs. 132.62 Lakhs.
3) Hailakandi - Rs 42.24 Lakhs.

(b) List furnished at Annexure -1. (See Annexure - 1).

* **Shri Abdul Muqtadir Choudhury** : Sir , the EAS scheme came into effect will effect from Ist April, 1999. My questions is whether the amount of Rs. 95.23 Lakhs was distributed as per the guidlines and how much money should be given to a scheme and what are the schemes to be taken up.

* **শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, যি টকা বিতৰণ কৰা হৈছে সেইখিনি গাইড লাইন মতে কৰা হৈছে।

* **শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যদিও গাইড লাইন মতে হোৱা নাই। গাইড লাইন মতে যে হোৱা নাই মন্ত্ৰী মহোদয়ে চাব নেকি? জনসংখ্যাৰ ভিত্তিটো হোৱা নাই। নৰ্থ কৰিমগঞ্জত ৯০ লাখ টকাৰ ভিতৰত ৬০ লাখ টকাহে বিতৰণ কৰিছে। এতিয়া ২য় কিস্তি দিয়াৰ সময়ত বেনিফিচাৰী সকলক থিয় কৰি দিব নেকি?

* **শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, সেইবিলাক বিতৰণ মন্ত্ৰীয়ে নকৰে। তাত ৰুৰেল ডেভেলাপমেণ্টৰ এজিন্সি আছে আৰু তাৰ চেয়াৰম্যান উপায়ুক্ত আৰু বিধায়ক সকল মেম্বাৰ।

* **শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী** ঃ— মাননীয় অধ্যক্ষ মহোদয়, ই, এ, এচ কমিটিৰ মিটিং নাপাতি ৯৫ লাখ টকা বিতৰণ কৰিছে। ২ যুগ কিস্তি দিয়াৰ সময়ত গোটেই মিলাই দিয়াৰ কাৰণে মন্ত্ৰীমহোদয়ে নিৰ্দ্দেশ দিব নোৱাৰে নেকি? ৫৭ লাখ আৰু ৯০ লাখ টকা মিলাই সকলোৱে পাব লাগে।

* **শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, যদি ডি, আৰ, ডি, এৰ

* Speech not corrected

গভর্ণিং মিটিং হোৱা নাই আৰু গাইড লাইন মতে হোৱা নাই সেইটো আমি চাম। কৰিমগঞ্জ জিলাৰ ক্ষেত্ৰত তথ্য পালে ব্যৱস্থা লম।

* **শ্ৰীগৌতম ৰয়** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে যদি গাইড লাইন হিচাবে হোৱা নাই তেতিয়াহলে নিৰ্দ্দেশ দিম। হাইলাকান্দিত ইতিমধ্যে খৰচ হৈ গৈছে। মন্ত্ৰীয়ে কৈছে মই নকৰো গভৰ্ণিং বডিয়ে কৰে, ডি, চি তাৰ চেয়াৰম্যান। কৰিমগঞ্জ সমষ্টিত সেই হিচাবে কৰা নাই। গতিকে গাইড লাইন হিচাবে কৰাৰ ব্যৱস্থা মন্ত্ৰীমহোদয়ে কৰিব নেকি?

* **শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ কথা কোৱা হৈছে। হাইলাকান্দিত গভৰ্ণিং বডিৰ মিটিং হোৱা নাই।

* **শ্ৰীগৌতম ৰয়** ঃ— মাননীয় অধ্যক্ষ. মন্ত্ৰী মহোদয়ে কৈছে গভৰ্ণিং বডিত মিটিং হোৱা নাই। বিন্দু ইতিমধ্যে হৈ গৈছে।

**Mr. Speaker** : What the Hon'ble Member wants to know is that whether Government will serve notice to implement the scheme as per guidelines.

* **শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে নিৰ্দ্দেশ ইচ্ছ্যু কৰিছো।

(Starred Questions No. 244 was not raised as the Questioner of the said quesiton was not present in the House when called for)

**Mr. Speaker** : Next Question No. 245 Hon'ble Member Shri Nizamuddin Khan, Hon'ble Minister Agriculture is to reply.

## বিষয় ঃ শস্য বীমা আঁচনি।

**শ্ৰীনিজামুদ্দিন খানে** সুধিছে ঃ

* ২৪৫। মাননীয় কৃষি বিভাগৰ মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শস্য বীমা আঁচনি প্ৰবৰ্ত্তনৰ বাবে লক্ষীমপুৰ/ধেমাজী জিলাৰ কৃষকৰ পৰা আবেদন বিচৰাটো সচানে?

---

* Speech not corrected

খ) উক্ত আঁচনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু কৃষকে কিমান অংশৰ পুজিৰ যোগান ধৰিব লাগে?

গ) উক্ত জিলাৰ কৃষকে প্ৰয়োজনীয় অংশ আদায় দিয়া কথাটো সঁচানে?

ঘ) যদি সঁচা, কিমান কৃষকে আদায় দিছে?

ঙ) উক্ত আঁচনিৰ কাম কি পৰ্য্যায়ত আছে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

ক) সঁচা নহয়।

খ) ১৯৮৬-৮৭ ৰবি বতৰৰ পৰা ১৯৯৯ খাৰিফ বতৰলৈকে প্ৰৱৰ্ত্তন কৰা বহুমুখী শস্য বিমা আঁচনি (Comprehensive Crop Insurance Scheme) আৰু ১৯৯৭-৯৮ চনত কেৱল ৰবি বতৰৰ কাৰনে প্ৰৱৰ্ত্তন কৰা পৰীক্ষামূলক শস্য বীমা আঁচনি (Experimental Crop Insurance Scheme))ৰ অধীনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে দিব লগীয়া হোৱা পুজিৰ অংশ আঁচনিৰ বিপৰীতে তলত দেখুৱা হ'ল।

| | আঁচনিৰ নাম | কেন্দ্ৰীয় চৰকাৰৰ অংশ | ৰাজ্য চৰকাৰৰ অংশ |
|---|---|---|---|
| ১) | বহুমুখী শস্য বীমা আঁচনি | ২ অংশ | ১ অংশ |
| ২) | পৰীক্ষামূলক শস্য বীমা আঁচনি | ৮০ শতাংশ | ২০ শতাংশ |

কৃষকে উক্ত দুয়োতা আঁচনিৰ বাবদ কোনো পুজিৰ অংশ যোগান ধৰিব নালাগিছিল। কিন্তু বহুমুখী শস্য বীমা আচঁনি (Comprehensive Crop Insurance Scheme) ৰ অধীনত কৃষক সকলৰ পৰা কেৱল প্ৰিমিয়াম আদায় কৰা হৈছিল।

গ) বহুমুখী শস্য বীমা আঁচনিৰ অধীনত উক্ত দুয়োখন জিলাৰ কিছু সংখ্যক কৃষকে প্ৰিমিয়াম জমা দিছিল।

ঘ) বহুমুখী শস্য বীমা আঁচনিৰ অধীনত ১৯৯৮-৯৯ চনত মুঠ ৬৪ জন কৃষকে প্ৰিমিয়াম আদায় দিছে।

ঙ) বৰ্ত্তমান উক্ত দুয়োটা আচঁনিৰ পৰিবৰ্ত্তে কেন্দ্ৰীয় চৰকাৰে ১৯৯৯-২০০০ চনৰ বতৰৰ পৰা ৰাষ্ট্ৰীয় কৃষি বীমা আঁচনি নামেৰে এখন নতুন আঁচনি প্ৰবৰ্ত্তন কৰিছে। ইতিমধ্যে উক্ত আঁচনিৰ কাম আৰম্ভ কৰিবলৈ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

* **শ্ৰীনিজামুদ্দিন খান** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনেকি

* Speech not corrected

বহুমুখী শস্য বীমা আঁচনিৰ অধীনত ১৯৯৮-৯৯ চনত মুঠ ৬৪ জন কৃষকে প্ৰিমিয়াম আদায় দিছে। সেই আদায় দিয়া প্ৰিমিয়াম কিমান।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, বহুমুখী শস্য বিমা আঁচনি হৈছে যি জনে লোন লয় তাৰ বিপৰীতে তেওঁৰ হুসৰেঞ্চ হয়। এনে ধৰণৰ লোন ১০ হেজাৰ লোকে পাইছিল। এইলোন বিলাক তেওঁলোকে ২ শ ৩ শকৈ দিব লগা হৈছিল। ননলোনীৰ ক্ষেত্ৰত এনে নহয়।

* **শ্ৰীনিজামুদ্দিন খান** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নটোত সুধিছো ৬৪ জন কৃষকে যি প্ৰিমিয়াম আদায় দিছিল কিমান টকাৰ প্ৰিমিয়াম এতিয়ালৈকে আদায় দিছে আৰু মোৰ দ্বিতীয় প্ৰশ্নটো হল যিটো আঁচনি আৰম্ভ কৰা হল বহুমুখী শস্য বিমা আঁচনি, এই আঁচনিখন লক্ষীমপুৰ, ধেমাজি জিলালৈকে হৈছে। এই আঁচনিখন এতিয়া ৰাজ্যখনৰ মুকলি কৰি দিব নেকি? এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, আচলতে বহুমুখী শস্য বীমা আঁচনি কথাটো হল আমাৰ ৰাজ্যত যিমান হব লাগিছিল তেনেধৰণে হোৱা নাই। এই বিমাটো ঋণ লোৱাৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ ৰাজ্যখনত কৃষকে সকলে লোন নলয় সেই কাৰণে এইটো হোনা নাই। প্ৰথম প্ৰশ্নটোৰ উত্তৰ হৈছে —ধেমাজি জিলাত হৈছে ১৬৩৬ টকা ৬৮ পইচা লক্ষীমপুৰত হৈছে ২৯৪৬.৯ পইচা। কৃষকে যিহেতু লোন নলয় এই বিমা আঁচনিখন সেই কাৰণে জনপ্ৰীয় হোৱা নাই। এই আপত্তিৰ কথা আমি কেন্দ্ৰীয় চৰকাৰক কৈছো। প্ৰধান মন্ত্ৰী দেবেগৌৰাৰ দিনত এখন নতুন আঁচনি হৈছিল এস্কপেনডিচাৰ ক্ৰপচ ইনচুৰেঞ্চ স্কীম তাত পাইলট প্ৰগ্ৰেম আছিল। নগাও, নলবাৰী, লক্ষীমপুৰ ধেমাজি এইখন আঁচনি লোৱা হৈছিল। এইখন আঁচনি অকল ৰবি শষ্যৰ কাৰণে লোৱা হৈছিল। ভাৰত চৰকাৰে এই স্কীম আতৰাই দিছে। শেহতীয়া ভাবে নেচনেল এগ্ৰিকালচাৰ কৰপৰেৰ্শ্যন স্কীম দিছে এই স্কীমত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ৫৫.৫০ শতাংশ হব। বহুতো ৰাজ্য চৰকাৰে আপত্তি জনাইছে। আমিও আমাৰ ফালৰ পৰা মতামত জনাম।

**Mr. Speaker** : Question No. 246, Hon'ble Members Dr. Kalyan Kr Gogoi, Hon'ble Minister Labour is to reply.

## বিষয় ঃ শ্ৰমিকৰ দৈনিক মজুৰি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

* ২৪৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* Speech not corrected

ক) চাহ শ্ৰমিকৰ নিম্নতম দৈনিক মজুৰি, সাপ্তাহিক ছুটি, ৰেচম পাতিৰ বিষয়ে গুৱাহাটী উচ্চ আদালতে কিবা নিৰ্দ্দেশ দিছিল নেকি?

খ) যদি দিছিল, তেন্তে দৈনিক মজুৰি কিমান বুলি নিৰ্দ্দেশ দিছিল?

গ) আৰু উক্ত নিৰ্দ্দেশ ৰাজ্য চৰকাৰে কাৰ্য্যকৰী কৰিছেনে? যদি নাই কৰা, তেন্তে কিয় কৰা নাই অনুগ্ৰহ কৰি জনাবনে?

**শ্ৰীফণীভূষণ চৌধুৰী** য়ে উত্তৰ দিছে ঃ–

ক) দিয়া নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

* **ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনেকি অসম চৰকাৰে শ্ৰমিকৰ মুৰী ৪৯ টকাকৈ দিয়া নাই আৰু সপ্তাহৰ ঠাইত ৩০ দিনত দৰমহা দিয়া নাই। এইটো কিয় হোৱা নাই।

* **শ্ৰীফণীভূষণ চৌধুৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় অসম চৰকাৰে সাপ্তাহিক আৰু দৈনিক মজুৰীৰ সংক্ৰান্তত হাইকৰ্টৰ নিৰ্দ্দেশ সেই নিৰ্দ্দেশ মিনিমাম ওৱেজ একট ৫ নং ধাৰা মতে চাব কমিটি দিয়া হৈছিল। সেই চাব কমিটিয়ে ৰাজ্য চৰকাৰক পৰমাশ আগবঢ়াইছিল যে চাহ বাগিচাত কাম কৰা লোক সকলৰ নিম্নতম মজুৰী ৪০ টকা হব লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল। ঠিক তেনেকৈ মিনিমাম ওৱেজ একট ১৯৪৮ চেকশ্যন ৫ চাবচেকশ্যন ২ ৰ মতে এখন মিনিমাম এৱেজ বৰ্ড গঠন কৰি দিয়া হৈছিল। ইয়াত চাব কমিটি মালিক পক্ষ আৰু এটা বিশেষ ইউনিয়নৰ প্ৰতিনিধিয়ে ৪৯ টকা কৰিব নালাগে বুলি কৈছিল। মাননীয় সদস্য সকলে নিশ্চয় এই কথা জানে মিনিমাম ওৱেজ এক্ট ১৯৪৮ মতে মালিক পক্ষ আৰু ইউনিয়নৰ মাজতদুয়ো পক্ষই আলোচনা মৰ্ম্মে সিদ্ধান্ত হৈছিল। মালকি পক্ষ আৰু ইউনিয়নৰ মাজতযোৱা ১৬ মাৰ্চ তাৰিখে এখন চুক্তি স্বাক্ষৰিত হৈছিল। এই চৰ্তখন আমাৰ চৰকাৰলৈ প্ৰেৰণ কৰিছিল। ইয়াক মিনিমাম ওৱেজৰ কথা কৈছে তেখেতসকলে জানিব। ইয়াত এটা কথা উল্লেখ কৰিছে ৰেষ্ট দে ওৱেজেজ, ৬ দিনৰ মুৰে মুৰে দিয়া হয় এইখিনি মই পঢ়ি দিছো Assam Chah Mazdoor Sangha and the Employers' Association repesenting the tea industry in the Brahmaputra valley on different dates. During discussions the Employers' Association explained that with regard to wages for weekly day of rest, which the Union had raised in

* Speech not corrected

course of the negotiations, the principle of sixing minimum wages had always been that the requirement of the family unit of a workers for all days was considered and incorporated in the minium wages in such a way that payment of six days' was wages in a week covered the requirement of the worker and his family for 7 days. This principle was explicitly followed by the first Minium Wages Committee for Tea plantation Workers in Assam set up in 1950 under Govt. Notification No. GLR 352/52/51/56 dated 11.3.1952 and headed by shri P.P. Chetia .................................... এই সংক্ৰান্তত যিহেতু মালিক পক্ষ আৰু ইউনিয়নৰ মাজত এটা চুক্তি স্বাক্ষৰিত হৈছে এই বিষয়ে কি কৰিব পৰা যায় চৰকাৰে বিবেচনা কৰি আছে। আমি আশা কৰিছো নন-ইনফৰমেলিটি হলে মালিক পক্ষ আৰু শ্ৰমিকৰ মতে কৰিব বুলি ভাবিছো।

* **ডাঃ কল্যাণ কুমাৰ গগৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে তাতকৈ চৰকাৰে নিজে আগ ভাগ লৈ দৈনিক মজুৰি কিমান দিব আদি সকলো কথা মীমাংসা কৰিব লাগে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰীফণীভূষণ চৌধুৰী** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এখন চাৰ কমিটি কৰি দিয়া হৈছে। ৪৯ টকা মজুৰি হব লাগে বুলি তেখেত সকলে পৰামৰ্শ দিছে। কিন্তু সেই পৰামৰ্শ মালিক পক্ষই আৰু ইউনিয়নে নাকচ কৰিছে। তেওঁলোকে নাকচ কৰিলে উপায় নাই। আমি মালিক পক্ষক ব্যৱস্থা কৰক বুলি কৈছো। এই ক্ষেত্ৰত এক্সপাৰ্ট কমিটি পৰামৰ্শ দিয়া মতে আমি ব্যৱস্থা গ্ৰহণ কৰিম। সাত দিনৰ ওৱেজ যদি ভাগ কৰি লোৱা হয়, তেতিয়া হলে ৩২.২২ টকা পৰে।

* **শ্ৰীদিলেশ্বৰ তাতী** ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰমিক সংঘ ইউনিয়ন আৰু মালিক পক্ষ ইউনিয়ন একে লগে চুক্তি স্বাক্ষৰিত হৈছে। গভৰ্নমেণ্টৰ ফালৰ পৰা বা অন্যান্য ফালৰ পৰা কোৱা হৈছে ১৯.৩১ টকা। মইও লেবাৰ মিনিষ্টাৰ আছিলো সেই সময়ত ৰেচম দিয়া হৈছিল। সেই হিচাবে এই বেনিফিট ১২ টকা ৰেষ্টদেজ ওৱেজ ধৰে। ৪৯.৬০ পইচা হয়, এইটো কম হোৱা নাই। এই কথাটো পৰিস্কাৰ কৰি নিদিয়াৰ কাৰণে ভুল বুজা বুজি হৈছে। এক্সপৰ্টি কমিটিয়ে কৈছে ৪৯ টকা হব লাগে। পৰ্ব্বতী কালত ৬০ টকা হৈছে। স্পেনিং ওৱাৰ্কাচৰ ক্ষেত্ৰত ৪৯ টকা কৈছে, এইটো ৬০ টকা কৰিবলগীয়া আছিল। এই ক্ষেত্ৰত চৰকাৰে নটিফিকেশ্বন কৰা নাই কিয়? মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰীফণীভূষণ চৌধুৰী** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো আগতে কৈছো।

---

* Speech not corrected

মই পুনৰবাৰ কৈছো এই ক্ষেত্ৰত আমাৰ কিছু অসুবিধা হৈছে। মিনিমান ওৱেজ ৪৯ টকা কৰাৰ কাৰণে নটিফিকেশ্বন কৰিব বিচৰা হৈছিল। এক্সপাৰ্ট কমিটিৰ পৰামৰ্শ দিছে ৪৯ টকা হ্ব লাগে। কিন্তু নহল। ইয়াত ইন্ডাষ্ট্ৰিয়েল বাতাবৰণ নোহোৱা হব। মাননীয় সদস্য গৰাকী নিজে লেবাৰ মিনিষ্টাৰ আছিল, তেখেতে জানে।

* **শ্ৰীদিলেশ্বৰ তাঁতী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইউনিয়নে কৈছে যে স্মলটিৰ ক্ষেত্ৰত ৬০ টকা কৰিব লাগে, এই ক্ষেত্ৰত প্ৰফিডেণ্টফাণ্ড, গ্ৰেচুৱেটি আদি বেনিফিট নিদিয়ে। এই ক্ষেত্ৰত নটিফিকেশ্বন কৰাৰ বাধা নাই।

* **শ্ৰীফণীভূষণ চৌধুৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰাজনৈতিক চাল নহয়।

(গণ্ডগোল)

**মাননীয় অধ্যক্ষ** ঃ আপুনি নিজে প্ৰশ্ন কৰে আৰু উত্তৰ দিওতে নিজে What is your question? Now, Question No. 247 Hon'ble Member Shri Anowar Hussain Laskar, Minister Supply is to replied.

## বিষয় ঃ ন্যায্য মূল্যেৰ দোকান।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰে সুধিছে ঃ**

* ২৪৭। মাননীয় খাদ্য এবং অসামৰিক বিতৰণ যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন কি ঃ

কাছাৰ জেলায় ন্যায্য মূল্যের দোকান মারফত খাদ্য লবন বিতরণ করা হয়া থাকে কি? যদি হ্যা তবে প্রতি মাসে বরাদ্দকৃত লবনের পরিমাণ ও মূল্য কি কি? যদি না তবে কারণ কি? কাছার জেলার জন্য মোট বরাদ্দকৃত লবনের পরিমাণ কি? (প্রতিমাসে)

**শ্ৰীপ্ৰদীপ হাজৰিকা** (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

হয়। ২০০০ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত প্ৰতিবেগত ৭৫ কেজি সৰ্বমুঠ ২৩,৬৪৮ বেগ আয়ডিনযুক্ত কাছাৰ জিলাত আৱণ্টন দিয়া হৈছল। ৭৫ কেজি হিচাবে প্ৰতি বেগ আয়ডিনযুক্ত ১১২.৩৫ টকা।

* **শ্ৰীআনোৱাৰ হুছেইন লস্কৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ২৫ বছৰ ধৰি কাছাৰ জিলাৰ কোনো ফেয়াৰ প্ৰাইচ চপ্ দিয়া হোৱা নাই। সেই কাৰনে নিমখো দিয়া হোৱা নাই। যি নিমখ দিয়ে কনডেম নিমখ সেই বিষয়ে অনুসন্ধান কৰিব নে?

* Speech not corrected

* **শ্ৰীপ্ৰদীপ হাজৰীকা** (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছো সেই বিষয়ত মোকা পালে নিশ্চয় তদন্ত কৰিব পৰা হব।

* **Shri Sukhendu Sekhar Dutta** : I would like to know from the Hon'bleMinister who is incharge of food & Civil Supplies that wheter iodised salt is supplied to other districts also. So, may I request the Hon'ble Minister whether he will conduct an enquiry urgently? Sir, so far I know it is not being supplied in most of the districts.

* **Shri Pradip Hazarika** (Minister) : Sir, it is required separate question in this reqard.

* **Shri Bharat Chandra Narah** : Sir, it is related question.

* **Shri Sukhendu Sekhar Dutta** : Sir , it is not being supplied to the Fair price shop.

* **Shri Pradip Hazarika** (Minister) : Sir, I will look in to the matter as soon as possible.

**Mr. Speaker** :— Starred question No. 248, Hon'ble Member Shri Derhagra Mochahary, Minister Food & Civi Supplies is for reply.

## Re.: Consumerable Rice, Atta etc.

**Shri Derhagra Mochahary** asked :

*248. Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether Government is aware of the fact that Rice, Atta etc. Which are supplied for consumption is poison free ?

(b) If not, whether arrangement will be made for the food staff to be examined and certified that the food staff is poison free before disbursing for public consumption?

**Shri Pradip Hazarika** (Minister, Food & Civil Supplies) replied :

* Speech not corrected

a) Yes.

Government has not received any such report of Rice, Atta etc, being supplied for consumption with posion.

(b) Does not arise.

* শ্ৰীডেৰহাগ্ৰা মুছাহাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বস্তু বি মাকত হোৱাৰ কোনো সম্ভবনাই নাই। কিন্তু মই এইটো কব খুজিছো যে গোদামত পৰি থকা চিপত চাউল যেতিয়া ৰাইজক তিৰুন কৰা হয় সেয়া খোৱাৰ উপযুক্ত নহয়। সেয়ে মই মন্ত্ৰী মহোদয়ৰ এয়া অনুৰোধ কৰিব খুজিছোঁ যে চাউল বিতৰুন কৰাৰ আগতে এটা মেডিকেল চেক আপক ব্যৱস্থা কৰিব পৰা যাব।

* শ্ৰীপ্ৰদীপ হাজৰীকা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ ব্যৱস্থা কৰিব পৰা যাব। তেনে বিশেষ অভিযোগ থাকিলে স্পেচিমেন দি ব্যৱস্থা কৰা হব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন সময়ত এফ চি আই বিলাকৰ পৰা দিয়া চাউলক ফেয়াৰ প্ৰইচ চপ আৰু ক-অপাৰেটিভ বিলাকত চাপ্লাই কৰি আৰু সেই চাউলকে বিতৰুন কৰা হয়। এনে এটা ঘটনা ১৯৯৮-৯৯ চনত ধৰা পেলোৱা হৈছে অৱশ্যে সেই ক্ষেত্ৰত একশ্যন লোৱা হৈছে। এতিয়া বানপানীৰ সময় আহিছে, বানপানী আহিবই। সেয়ে বানপানীৰ সময়ত বিতৰণ কৰিব লগা চাউল বিলাক চি আইৰ পৰা কিনোতেই আগতীয়াকৈ কৈ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব নে?

* শ্ৰীপ্ৰদীপ হাজৰীকা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওচৰলৈ যিটো অভিযোগ আহিছে সেইটো হৈছে যে চাউল বিলাক বগা। অৱশ্যে সেইটো হয় পাঞ্জাৱৰ পৰা অহা চাউলটো ৰঙা এইটো পাঞ্জাৱৰ কৃষক সকলে পৰীক্ষামূলক হিচাপে প্ৰকিঅ'ৰ কৰিছিল। আমাৰ মানুহে এইটো ভাল নাপায় সেয়ে আপত্তি আহিছে।

Sir, I thank the Govt. of India will take nessary action and paint which has been vaised by the Hon'ble Members Shri Dilip Kumar Saikia that can be taken care of soon.

Mr. Speaker : Question No. 249 Hon'ble Members Shri Munin Mahanta, Minister Panchayat isto reply.

* Speech not corrected .

## বিষয় ঃ গ্ৰাম্য উন্নয়ণ বিভাগৰ।

### বিষয় ঃ Green House

**শ্ৰীমুনিন মহন্তই** সুধিছে ঃ

* ২৪৯। মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গ্ৰাম্য উন্নয়ণ বিভাগৰ (Green House) কাৰ্য্যসূচী মৰিগাওঁ জিলা গ্ৰাম্য উন্নয়ণ অভিকৰণেও কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লৈছে নেকি?

খ) যদি লোৱা হৈছে, কিমান পৰিমাণৰ ধন এই আঁচনিৰ বাবে ধাৰ্য্য কৰা হৈছে।

গ) Green House ৰ বাবে মৰিগাওঁ জিলাত কিমানজন হিতাধিকাৰী নিৰ্বাচিত কৰা হৈছে?

ঘ) Green Houseৰ বাবে প্ৰয়োজনীয় পলিথিন যোগানৰ বাবে নিবিদা আহ্বান কৰা হৈছিল নেকি?

**শ্ৰীছহিদুল আলম চৌধুৰীয়ে** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, লৈছে।

খ) মুঠ ২৯.৪২৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

গ) ১৫০ জন হিতাধীকাৰী নিৰ্ব্বাচন কৰা হৈছে।

ঘ) অনুমোদিত স্থানীয় Dealer ৰ পৰা পলিথিন ক্ৰয় কৰিছে।

* **শ্ৰীআলাউদ্দিন চৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, গ্ৰীন হাউচ নিৰ্ম্মাণ কৰাৰ কাৰনে বোধহয় কৃষি বিভাগৰ পৰা গাইড লাইন দিয়া আছে সেইমতে প্ৰতি জন বিধায়কৰ সমষ্ঠিত টকা ধৰা হৈছে সেই মতে নিৰ্ম্মাণ কৰা সম্ভৱ হৈছে নে নাই?

* **শ্ৰীছহিদুল আলম চৌধুৰী** (পঞ্চায়ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মৰিগাৱঁৰ পৰা ১৫০ জনক নিৰ্ব্বাচিত কৰা হৈছে। সেই সকলক এছ প্ৰশিক্ষণ দিয়া হয়। আৰু প্ৰশিক্ষণৰ সময়ত শিক্ষিত নিবনুৱাক প্ৰশিক্ষণ দি এই বিলাক বিতৰন কৰা হয়। আমাৰ ৫ টা উন্নয়ন আছে আৰু তাত একলাখ টকা মোকলাই দিয়া হৈছে। আৰু এশজনলোকৰ ঘৰ নিৰ্ম্মানৰ কাম হাতত লোৱা হৈছে।

* **শ্ৰীআলাউদ্দিন চৰকাৰ** ঃ প্ৰতিজন হিতাধিকাৰীক গ্ৰীন হাউচ নিৰ্ম্মানৰ কাৰনে জনেপ্ৰতি কিমান টকা দিয়া হৈছে?

* Speech not corrected

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী) ঃ এ হাজাৰ টকাকৈ দিয়া হয়। লগত মেটেৰিয়েলো দিয়া হৈছে।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে দুইজনৰ মাজত ব্যক্তিগতভাৱে কথা পাতিছে নে সদনৰ কথা পাতিছে।

It is noticed that Hon'ble Members are taking to request the Hon'ble Members that they should atleast adress the chair befor delivering the questions.

* শ্ৰীআলাউদ্দিন চৰকাৰ ঃ অধ্যক্ষ মহোদয়, ২৯.৪২৫ লাখ টকা ধাৰ্য্য কৰা হৈছে টকাটো কেতিয়া দিয়া হৈছে আৰু কিমানক দিছে আৰু নিবিদা আহ্বান কৰা হৈছে নে নাই মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো নিবিদাৰ যোগেদি কৰা হৈছে। আমাৰ ২৩ টা ডি আৰ ডি এ আছে তাৰে কেইখনমানে নিবিদা আহ্বান কৰিয়ে দিছে।

* শ্ৰীগৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো পৰিষ্কাৰ কৰি দিব নে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই গ্ৰীন হাউচ সন্দৰ্ভত গাইড লাইন আছেনে আৰু প্ৰত্যেক বেনিফিচীয়াৰীক ৩০ হাজাৰকৈ টকা দিব আৰু তিনি বছৰলৈ দিব এইটো হয় নহয়? আৰু এই ৰোল বিলাকৰ চাইজ কিমান আৰু কেনেকৈ কিনা হৈছে কবনে?

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়ে, কেন্দ্ৰীয় চৰকাৰে কোনো গাইড লাইন দিয়া নাই।

* শ্ৰীআলাউদ্দিন চৰকাৰ ঃ অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ পৰা যি ধৰনে পলিথিন কিনাৰ বাবে নিৰ্দ্ধাৰন কৰি দিছে দৈৰ্ঘ্য আৰু প্ৰস্থা সেই দৰেই ডীলাৰ যোগান দিছেনে?

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী) ঃ এইটো সংশিষ্ট ডি আৰু ডি এ বিলাকে কৰি আছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, গৌতম ৰয়ৰ প্ৰশ্নৰ উত্তৰত কৈছে যে ৰোলৰ দৈৰ্ঘ্য প্ৰস্থ কিমান নাজানে, এতিয়া কৈছে যে গাইড লাইনমতে কৰা হৈছে কথাটো কণ্ট্ৰডিচ কৰা নাইনে ? কাৰন এতিয়া কৈছে গাইড লাইন মতে কৰা হৈছে।

* শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰো যে যিকেইটা ডি আৰ ডি এ নিবিদা আহ্বান কৰিছিল আৰু মৰিগাৱঁৰ ডি আৰ ডি এই নিবিদা

* Speech not corrected

আহ্বান কৰা নাই। গতিকে ৰেট বিলাক বিভিন্ন হব পাৰে। ইয়াত বহু পৰিমানৰ টকা অপচয় হৈছে। মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো টেণ্ডাৰ দিয়াৰ ক্ষেত্রত ৰেট কিমান আৰু টেণ্ডাৰ নিদিয়া বিলাক ৰেট কিমান?

* **শ্রীছহিদুল আলম চৌধুৰী** (পঞ্চায়ত মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বহুবিলাক টেণ্ডাৰৰ ক্ষেত্রত শ্বকজ কৰা হৈছে।

* **শ্রীগৌতম ৰয়** ঃ অধ্যক্ষ মহোদয়, কাছাৰ জিলাত গ্রীন হাউচ নালাগে বুলি কোৱা হৈছে কিন্তু তাৰ পাচতো গ্রীন হাউচ কাছাৰত নাবনে বস্তু কিনি দিছে ইয়াৰ ক্ষেত্রত কিবা ব্যৱস্থা লব?

* **শ্রীছহিদুল আলম চৌধুৰী** (পঞ্চায়ত মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, কেন্দ্রীয় চৰকাৰে যি অনুদান দিছে তাৰ লগত স্পেচিফিক গাইড লাইন আছে যে সেই মতে ডি আৰ ডি এত কৰিবলৈ লোৱা হৈছে।

## Re.: Guidelines of D.R.D.A.S.

**Shri Pradyut Bordoloi** asked :

*250. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) Whether the respective DRDAS are following the guideline that in the absoence of elected Bodies (i.e. Zila parishad) a Committee comprising local M.P.S and M.L.A.S be constituted for selection of works under E.A.S.?

(b) If yes, whether Tinsukia DRDA is following this guideline for selection of works under E.A.S. in the last three years?

(c) Has the Tinsukia DRDA finalised the works under EAS for 1999-2000?

**Sri Sahidul Alam Choudhury** (Minister of panchayat and Rural Development) replied :

(a) Yes.

(b) Yes, the guidelines have been followed in previous three years.

* Speech not corrected

But, there was no such Committee in previous three years. The Committee has been constituted during the last part of the current finanial year as per revised guidelines.

(c) Schemes have been selected on the basis of recommendation of Hon'ble MLAs/Mps & public representatives, Meeting of EAs Committee is being held shortly.

**Mr. Speaker :** Starred Question No. 251 Hon'ble Members Shri Ali Akbar Miah, Hon'ble, Minester Agricultural is to reply.

## বিষয় ঃ শ্বেলো মেচিনৰ ববিঙৰ ফুটৰ পৰিমাণ আৰু মূল্য।

**শ্ৰীআলি আকবৰ মিঞাই সুধিছে ঃ**

* ২৫১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কৃষি বিভাগৰ কোন কোন আঁচনিৰ শ্বেলো মেচিন পাম্প ববিং সহ ৰাইজক দিয়া হৈছে আৰু কোন কোন আঁচনিৰ পৰা ববিং বিহীন ভাৱে দিয়া হৈছে বা হৈ আছে? আৰু এই আঁচনিবোৰৰ ববিঙৰ পৰিমাণ মুঠ কিমান ফুটকৈ?

খ) ধুবুৰী জিলাত প্ৰকৃতাৰ্থত এই আঁচনি সমূহৰ শ্বেলো মেচিনৰ বৰিং সমূহৰ নিৰ্ধাৰিত নিৰিখ মতে বহুৱা হৈছেনে ?

গ) যোৱা চাৰিটা বছৰত জিলাখনৰ কোন কোন উন্নয়ণ খণ্ডৰ কোন কোন দায়িত্ববহন বিষয়া বা কৰ্মচাৰীৰ দ্বাৰা শ্বেলো মেচিনবোৰ বিতৰণ কৰা হ'ল? (বছৰৰ বিপৰীতে আঁচনি আৰু আঁচনিৰ বিপৰীতে বিষয়া/কৰ্মচাৰীৰ নাম উন্নয়ণ খণ্ডৰ ভিত্তিত উল্লেখ কৰি তথ্য সদনৰ মেজত দাখিল কৰিব).

ঘ) ARIASP আৰু NABARD আঁচনিৰ এটাকৈ শ্বেলো মেচিনৰ মূল্য (ববিং সহ) কিমান টকা?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) কৃষি বিভাগৰ জৰিয়তে বিশ্ববেংকৰ সাহাৰ্য্য প্ৰাপ্ত ARIASP নাবাৰ্ডৰ সাহাৰ্য্য প্ৰাপ্ত "সমৃদ্ধ কৃষক যোজনা" আৰু NABARD আঁচনিৰ অধীনত অগভীৰ নলীনাদ পাম্পচেট সহ কৃষকক দিয়া হৈছে। ইয়াৰ উপৰিও PASMFAP, TSP আৰু SCCP আঁচনিৰ মাধ্যমেৰে কেৱল পাম্পচেট (LLP) কৃষক ৰাইজৰ মাজত বিতৰণ হৈছে। এই আঁচনিবোৰৰ অধীনত হোৱা অগভীৰ নলীনাদবোৰৰ উচ্চতম গভীৰতা ১০০

ফুটকৈ নিদ্ধাৰণ কৰা হৈছে যদিও ভূগৰ্ভস্থ জল ৰাশিৰ অৱস্থাত ওপৰতেই ইয়াৰ প্ৰকৃত গভীৰতা নিৰ্ভৰ কৰিব।

খ) হয়, ভূগৰ্ভস্থ জলৰাশিৰ অৱস্থানৰ ওপৰত ভিত্তি কৰি হৈছে।

গ) প্ৰত্যেক জিলাতে মাগুলকি যুটীয়া সঞ্চালক (কাৰ্য্য) জিলা কৃষি বিষয়া, কাৰ্য্যবাহী অভিযন্তা (কৃষি), সহকাৰী কাৰ্য্যবাহী অভিযন্তা (কৃষি), মহকুমা কৃষি বিষয়া আৰু জিলা পথাৰ পৰিচালনা সমিতিৰ দ্বাৰা গঠিত কমিটিয়ে আবেদনৰ ভিত্তিত উপভোক্তা বাচনি কৰে আৰু বাচনিকৃত খেতিয়ক সকলৰ মাজত উন্নয়ন খণ্ড ভিত্তিত থতা বিষয়া কৰ্মচাৰীৰ তত্বাৱধানত বিতৰণ কৰে। উন্নয়ন খণ্ড ভিত্তিত বিচৰা ধৰণে বিষয়া কৰ্মচাৰীৰ তালিকা সদনত মেজত দাখিল কৰা হ'ল।

ঘ) প্ৰাককলন অনুসৰি ১০০ ফুট গভীৰতা হিচাবত প্ৰতিটো অগভীৰ নলীনাদৰ মুঠ মূল্য ১৯৯৯-২০০০ বৰ্ষত –

| | | |
|---|---|---|
| (১) ARIASP আচনিৰ অধীনত | - | ১৯,৭৮৭.০০ টকা |
| (২) NABARD আঁচনিৰ অধীনত ক্ৰমে | - | ২২,২৩৮.০০ টকা |
| | | ২২,৯২৪.০০ টকা মাত্ৰ। |

* **শ্ৰীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ভূগৰ্ভস্থা জলৰাশি অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছে। আমাৰ জিলাত কোনোটো ৩৫ কোনোটো ৪০ বা কোনোটো ৫০ ফুট ৰোগিং কৰিছে। ক'ত কিমান ফুটলৈকে খণ্ডা হৈছে মন্ত্ৰী মহোদয়ে জানেনে? দ্বিতীয় কথা হৈছে এৰি, এচপিৰ আৰু নাবাৰ্ডৰ পৰা পোৱা ঋণৰ ক্ষেত্ৰত কাৰ ক্ষেত্ৰত কিমান দিবলগীয়া হৈছে।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি মন্ত্ৰী) ঃ এইটো মই এতিমধ্যে জনাইছো যে মেক্সিমাম গভীৰতাত দিয়া হয়। এইটো যাঠি ফুটৰ পৰা এশ ফুট হব পাৰে। নাবাৰ্ড আৰু বিশ্ববেংকৰ কাৰণে সমানেই ৰেট সাত হাজাৰ ছয়শ টকা।

* **শ্ৰীআলী আকবৰ মিঞা** ঃ অধ্যক্ষ মহোদয়, ভূগৰ্ভস্থ জলৰাশিৰ কিমান ৰোলিং হৈছে পঞ্চাশ নে চল্লিশ ফুট হৈছে এইটো মন্ত্ৰীমহোদয়ে কিমনত পানী পাইছে বিশেষ ভাবে কব পাৰিবনে? এই ক্ষেত্ৰত তদন্ত কৰি ব্যৱস্থা লবনে যদি কৰা হল কিমান দিনৰ ভিৰত কিৰব?

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো আটাইতকৈ বেছি এশ ফুট হব লাগে। কিন্তু যাঠি ফুটটো পানী পাব পাৰে। যিমানতে পানী পোৱা যায়

* Speech not corrected

সেইটোৱেই ফিজিৰ বুলি ধৰা হয়। কিমানত পানী ওলায় সেইটো কথা নহয়। পানীৰ অভাৱত খেতি বন্ধ হৈ আছে নেকি, পানী পোৱা নাই নেকি সেইটো পৰিস্কাৰ কৰি মাননীয় সদস্যই কব লাগে।

* শ্ৰীআলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, পানী পোৱা নোপোৱা সেইটো কথা নহয়। আলি আকবৰ মিঞাক এটা মেচিন দিয়া হৈছে সেইটো ৰেকৰ্ডৰ মতে কোৱা হৈছে। আলি আকবৰ মিঞাৰ বিপৰীতে ৫০ ফুট দিয়া হৈছে সেইটো বৰিংত আছে নে নাই? যদি নাই মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া হলে তাৰ ব্যৱস্থা লব নেকি? নহলে তাৰ বিৰোদ্ধে শাস্তি মূলক ব্যৱস্থা লব নেকি? যদি নলয় কিমান দিনৰ ভিতৰত লব?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কওঁ যে শ্বেলো টিউৱেল বহোওৱা হয় খেতি বাতিত পানী যোগান ধৰাৰ কাৰণে। কিমান দত টিউৱেলটো বহোওৱা হৈছে আৰু পানী পাইছে নে নাই সেইটো চাব লাগিব। আমি এষ্টিমেটমতে ১০০ ফুটলৈকে বহুৱাবটো দিওঁ। মাননীয় সদস্য শ্ৰী আলি আকব্বৰ মিঞা ডাঙৰীয়াই আমাক জনাব বিচাৰিছে যে ঠাই বিশেষে ১০০ ফুটৰ পৰা ১৫০ ফুট দ লৈকে বহুৱাবলগীয়া হয়। সেই কাৰণে আমি ১০০ ফুটলৈকে ধৰি লৈছো। তাৰ ওপৰঞ্চি বহুৱাৱলগীয়া হলে খেতিয়ক সকলে খৰচ দিবলগীয়া হয়। আৰু যদি ১০০ ফুটতকৈ কমত কৰবাত বহুৱালগীয়া হয় তেতিয়া হলে সেইটো মই ব্যৱস্থা লম।

* শ্ৰীওৱাজেদ আলি চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, খেতিত পানী দ্বিবৰ কাৰণে খেতিয়ক সকলে ৭,৬০০ টকা দিব লাগে। য'ত ৫০ ফুট বৰিঙং হৈছে তাতো ৭,৬০০ টকা যোগান ধৰিব লাগে। চৰকাৰৰ যিটো নাবাডৰ সাহাৰ্য্য প্ৰাপ্ত। সৃদ্ধ কৃষক যোজনা আৰু পাচফেপ আঁচনিৰ অধীনত অগভীৰ নদী নাদ পাম্পচেট সহ কৃষকক দিয়া হৈছে। যাতে কৃষক সকল উপকৃত হব পাৰে। কিন্তু চান্দৰ ইয়াৰ আৰু কৰ্ম্মচাৰী সকলে তেওঁলোকৰ মাজত সোমাই দুই হাজাৰ টকা বা এক হাজাৰ টকা দিয়া বুলি লৈ ৭,৬০০ টকা লৈছে। কৃষক সকলৰ সেই টকাখিনি মুৰাই দিয়া হোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বৰিং ব্যৱস্থাটো খেতিয়ক সকলকে কৰিবলৈ দিব নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰিংঙ কথাটোত মই মাননীয় সদস্য গৰাকীৰ লগত একমত। সেইকাৰণে কৃষি বিষয়া আৰু জিলা পৰ্যাৰ পৰিচালনা সমিতিৰ দ্বাৰা গঠিত কমিটি আছে। এই বৰিং ক্ষেত্ৰত পাইপ আৰু অন্যান সামগ্ৰী আদি যোগান ধৰা ক্ষেত্ৰত অসম চৰকাৰ আৰু অসম কৃষি বিভাগটো কোনোমতে জড়িত নহয়।

---

* Speech not corrected

দ্বিতীয়তে, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে বৰিংৰ ক্ষেত্ৰত ৭,৬০০ টকা কম হোৱাৰ কাৰণে আৰু অতিৰিক্ত টকা খেতিয়ক সকলে খৰছ কৰিছে। এই বিষয়টো আমাৰ বিভাগে চাব বুলি মই সদনত আশ্বাস দিছো। আমি গোটেই অসমত থকা পথাৰবিলাকত যোগান ধৰিব পৰাকৈ সামগ্ৰী আদি বিনি বৰ কাৰণে পইচা পোৱা নাই। যিবিলাক ঠাইত কম ফুটত বৰিং হৈছে সেইবিলাক পইচা ঘুৰাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**Mr. Speaker :** Starred Question No. 252 Hon'ble Members Shri Ajit Singh, Minister Supplies is to reply.

## Re.: S. K. Oils

**Shri Ajit Singh** asked :

*252. Will the Minister of Food and Civil Supplies be pleased to state:

(a) Whether Government is aware that S.K. Oils have been selling at the Rupees of 15 to 20 per litre in the remote village areas of the state?

(b) If so, what steps have been taken to prevent such illegal selling of S.K. Oils?

**Shri Pradip Hazarika** (Minister, Food and Civil Supplies) replied :

(a) Some reports about selling of S.K.Oils at higher prices have appeared in 'New paper' sporadically in the state including the remote village areas.

(b) Government have been taking constant steps to prevent such illegal selling of S.K. Oil at higher prices by way of issuing directions to the respective Deputy Commissioner/Sub-Divisional officer (Civil) particularly at the time of appearing such items in the News paper to take stern steps under the provisions of the appropriate rules and regulations.

* শ্ৰীঅজিত সিং ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ গাঁৱৰ বিভিন্ন অঞ্চলবিলাকত

* Speech not corrected.

এতিয়া ২০-২৫ টকা দামত এচ, কে, অইল বিক্ৰী হৈ আছে। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এটা অনুৰোধ আছে এই তেল ৰাইজে পাবৰ কাৰণে সপ্তাহে বা মাহেকত দিয়াৰ ব্যৱস্থা কৰাৰ ওপৰিও অপেন মাৰ্কেট পোৱাৰ ব্যৱস্থা কৰি দিব লাগে। পাৰ লিটাৰত ২-১ টকা বেছি হব পাৰে কিন্তু গাওঁবাসীৰ পৰা বহুত বেছি দাম লয়। এই ক্ষেত্ৰত জিলা উপায়ুক্ত বা মহকুমাধিপতিৰ দ্বাৰাও কোনো কাম নহয়। কিন্তু ইয়াৰ পৰা কোনো ইমাপ্লিমেণ্ট ও নহয়। সেয়েহে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ে জানিব বিচাৰিছো।

* **শ্ৰীপ্ৰদীপ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ বিভাগৰ বিষয়াৰ হতুৱাই বিভিন্ন জেগাৰ পৰা অভিযোগ অহা ঠাইট অফিচাৰ পঠিয়াইছো। জিলা উপায়ুক্ত আৰু মহকুমাধপতি সকলে অফিচাৰ সকলক নিৰ্দেশ দিছে যে বিভিন্ন ঠাইত কেৰাচিল তেল বিতৰণ কৰি দিব লাগে। এই তেল ২৫ টকা, ১১ টকা ২০ টকাকৈ প্ৰতি লিটাৰত বিক্ৰী হৈছে বুলি জানিব পৰা গৈছে। আগতে এই তেল ২ টকা ৬৫ পইচাৰ পৰা ৫ টকালৈকে বাঢ়িছে। সেই বুলি প্ৰতি লিটাৰত ২০ টকা বা ২৫ টকা হোৱা নাই। সেই কাৰণে That can be immediately brought to the notice of the D.C. or the police offiver of the nearest poliec station stern action can be taken by us. But public awareness is necessary for the purpose. জিলা উপায়ুক্ত, মহকুমাধিপতি সকলৰ উপৰিও আমাৰ বিভাগৰ লগত সহযোগিতা কৰি এই মূল্য বৃদ্ধি বোধ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। It is very serious matter.

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধেমাজীৰ কেৰাচিন তেল যিটো পাবলিক চাপ্লাইয়াৰ এজেঞ্চিক দিয়া হয় সেইটো স্বয়ং ডি, চি, এ, ডি, চি আদিক অভিযোগ দিয়া হৈছে। The then DC and SDO (Sadar) were inveloved in that case.

* **শ্ৰীপ্ৰদীপ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিহে তেনেকুৱা হয় তেতিয়াহলে আমাৰ চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লব লাগিব।

— (মাননীয়া উপাধ্যক্ষা মহোদয়াই অধ্যক্ষৰ আসন গ্ৰহণ কৰে)।

ধেমাজীতে হওক বা অন্য ঠাইতে হওক ব্যৱস্থা লব লাগিব। এই লিখনিতে মই এটা কথা কওঁ। ডি, চি বা এচ, ডি, আই হওক লেভেলৰ অফিচাৰ তদন্ত হলে সেইটোৰ ওপৰত ব্যৱস্থা লোৱা হব আৰু ৰাজ্যখনৰ ২-৩ খন ঠাইত ব্যৱস্থা লবাটো চেষ্টা কৰিম।

---

* Speech not corrected

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** माननीय উপাধ্যক্ষা মহোদয়া, এনেকুৱা অভিযোগ বহুতবাৰ দিয়া হৈছে। কিন্তু একো লাভ নহয়।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** Dy. Speaker, Madarm, it is too late. ধেমাজিত এনেকুৱা অভিযোগ বহুতবাৰ দিয়া হৈছে। এই বিষয়ে আপোনালোকৰ হাতত ৰিপোট আছে। এইটো ব্যৱস্থা আপোনালোকে কেতিয়া লব? ডি, চি, আছে এ, ডি, চি আছে সকলোৱে মিলি মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিব নেকি?

( Starred Question No. 253 to 260 could not be taken up for disposal as the Question Hour was over. However the said Questions deemed to have been laid on the table of the House with replees there to.)

## Re.: Allocation for MWS.

**Shri Misbahul Islam Laskar** asked :

*252. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) What was the total alloation for MWS for year 1998-99 for Silchar D. R.D.? How much money received by Silchar DRDA in the year 1998-99?

(b) What are the schemes taken up by the Block as well as the DRDA in Salchapra Dev. Block and Borkhola DEV. Block in the year 1998-99? (Give detail List)

(c) What was the total money received by DRDA Silchar for IRDP infrastructure for the year 1998-99, 1999-2000? (Give the list of the schemes taken on the table of the House in 1998-99, 1999-2000)

(d) Whether Silchar DRDA has purchased any fishery retes? If so, what was the amount spent for such purchase?

(e) Whether DRDA Silchar has spent any money for green house in the year 1998-99 & 1999-2000? (If so give a detail list of Block wise on the table of the House)

* Speech not corrected

**Sri Sahidul Alam Choudhury** (Minister of panchayat and Rural Development) replied :

a) The total allocation for DRDA, Cachar was Rs. 174.50 lakhs under MWS, 1998-99.
Found received during the year 1998-99 was Rs. 110.98 lakhs.

b) Schemes taken for Salchapra and Borkhola Dev. Block during the year 1998-99 is enclosed at annexure 'A'. (See the Annexwer II)

c) The total amount received by DRDA, Cachar for IRDP infras tructure was Rs. 137.75 lakhs. List of schemes is enclosed at annexure 'B' (See the Annexwer III)

d) Yes, an amount of Rs. 15.05 lakhs was spent for purchas of fishery net.

e) Block wise utilisation of materials (Silpoulin) and expenditure made during 1998-99 and 1999-2000 for construction of low cost green house are as follows :-

| Name of Dev. Block | Nos. of beneficiaries | Amount spent (in lekh) |
|---|---|---|
| 1. Silchar | 30 | 2.94 |
| 2. Katigorah | 13 | 1.76 |
| 3. Kalain | 16 | 2.32 |
| 4. Raja Bazar | 14 | 1.80 |
| 5. Baasandi | 18 | 2.53 |
| 6. Udarbond | 29 | 3.89 |
| 7. Lakhipur | 10 | 1.20 |
| 8. Borkhola | 14 | 1.90 |
| 9. Binnakandi | 23 | 2.86 |
| 10. Tapang | 10 | 1.30 |
| 11. Sonai | 20 | 4.23 |
| 12. Sachapra | 13 | 1.86 |
| 13. Barjalenga | 21 | 2.65 |

| | | |
|---|---|---|
| 14. Narsingpur | 21 | 2.95 |
| 15. Palongghat | 17 | 2.38 |

Block wise list of beneficiaries are enclosed at Annexure 'C'

(See Annexure IV)

(Starred Question No. 254 was postponed)

## Re.: Registered F.M.C.

**Shri Sukhendu Shekhar Dutta** asked :

*255. Will the Minister of Agriculture be pleased to state :-

(a) How many F.M.C. have been registered by the Department of Agriculture, Karimganj in patharkandi L.A. COnstituency since January, 1996 ?

(b) Do they exist?

(c) How many pumps have been given to the F.M.Cs of patharkandi?

(d) Will the Government enquire in to the face whether all the pumps exist ?

**Shri Chandra Mohan patowary** (Minister of Agricultural) replied :

(a) 33 Nos.

(b) Yes, all F.M.Cs are functioning.

(c) 65 Nos.

(d) No complaint has been received about the non-existence of pumpsets. However, if any specific complain is received the matter will be enquired into.

## বিষয় ঃ সুলভ মূল্যৰ দোকান।

মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ

* ২৫৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) প্ৰতি গাওঁ সভাত দুটাকৈ সুলভ মূল্যৰ দোকান আৰু পাচটাকৈ কেৰাচিন তেলৰ দোকান দিয়াৰ কাৰণে চৰকাৰে আঁচনি লৈছিল নে?

খ) ধিং সমষ্টিৰ নগাওঁ জিলাৰ আলিটাঙনী মৌজা আৰু ধিং মৌজা আৰু মৰিগাওঁ খৈৰাবাৰী মৌজাৰ সুলভ মূল্যৰ দোকানৰ আবেদন পত্ৰৰ তালিকা খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰীয়ে প্ৰেৰণ কৰিছিলনে তালিকা সহ সদনত দাখিল কৰিব?

**শ্ৰীপ্ৰদীপ হাজৰিকা** (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) প্ৰতি গাওঁ সভাত দুটাকৈ সুলভ মূল্যৰ দোকান আৰু পাচটাকৈ কেৰাচিন তেলৰ হোকাৰ দিয়াৰ কোনো আঁচনি চৰকাৰে লোৱা নাই।

খ) ধিং সমষ্টিৰ কোনো সুলভ মূল্যৰ দোকানৰ আবেদন মৌজা ভিত্তিত প্ৰেৰণ কৰা হোৱা নাই।

## বিষয় ঃ ফৰ্ম ছপোৱাৰ নামত টকা খৰছ।

**শ্ৰীঅতুল বৰাই সুধিছে ঃ**

✻ ২৫৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৬ চনৰ ১৫ মেৰ পৰা ২০০০ চনৰ আজি ১০ মাৰ্চলৈ বিভাগে কি কি ফৰ্ম চহপোৱা হৈছে? ইয়াৰ পৰিমান কিমান আৰু ফৰ্ম সমূহ ছপাওতে কিমান টকা খৰচ কৰা হৈছে?

খ) বৰ্তমানে ছপা কৰি থকা একোখন BPL আৰু ESR ফৰ্ম একোখনৰ ছপা কৰা মূল্য কিমান হৈছে?

গ) ছপাৰ কামত প্ৰতিখন জিলাত কি কি আৰু কিমান ফৰ্মৰ বিপৰীতে কিমানকৈ ধন ধাৰ্য্য কৰা হৈছে?

ঘ) যি কেইটা প্ৰেছ বা ফাৰ্মে এই ছপা কামবোৰ পাইছে সেই ফাৰ্ম সমূহৰ নাম আৰু ঠিকনা কেইটা জনাবনে আৰু সদনৰ মেজত দিব?

ঙ) প্ৰিণ্টিং প্ৰেছ সমূহ কেইটা শ্ৰেণীত বিভক্ত কৰা হয় উক্ত প্ৰেছ সমূহ কোন কোন শ্ৰেণীত অন্তভুৰ্ক্ত কৰা হৈছে।

চ) প্ৰিণ্টিং কৰাৰৰ বাবদ ফাৰ্ম সমূহক কিমান টকা নগদ আৰু কিমান টকাৰ চেক দিয়া হৈছে? একাউণ্ট পেয়ী চেক অবিহনে এনে ধৰণে Payment কৰাটো অনিয়ম হোৱা নাইনে?

ছ) Printing আৰু Stationery বিভাগে অনুসন্ধান কৰি সঞ্চালকে প্ৰতিবেদন সেই বিভাগৰ সচিবক দিছেনে? সচিবে সত্যতা নিৰূপণ যথাৰীতি মতে কৰি প্ৰমাণ পত্ৰ প্ৰদান কৰিছেনে? DTC ৰ পৰা PMT পাইছেনে?

**শ্ৰীছুহিদুল আলম চৌধুৰী** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ-

ক) ১৯৯৬ চনৰ ১৫ মেৰ পৰা ২০০০ মাৰ্চলৈ প্ৰাপ্ত তথ্য সমূহৰ ভিত্তিত ছপা কৰা পৰিমান আৰু ফৰ্ম সমূহৰ ছপোৱাৰ খৰছৰ বিৱৰণ পৰিশিষ্ট 'ক'ত গাঠি দিয়া হল।

(See the Annexure V)

খ) BPL ফৰ্ম ছপা কৰা প্ৰতিখনৰ মূল্য ৪.১৬ টকা। যিহেতু ESR ফৰ্ম বুলি কোনো ফৰ্ম নাই, গতিকে মূল্য দিব পৰা নগল।

গ) ফৰ্ম ছপা কৰা কামৰ বিপৰীতে কোনো নিদিষ্ট ধন আজিলৈকে ধাৰ্য্য কৰা হোৱা নাই।

ঘ) ফৰ্ম ছপা কৰিবলৈ দিয়া প্ৰেছ ফাৰ্মৰ তালিকা পৰিশিষ্ট 'গ'ত গাঠি দিয়া হল।

ঙ) প্ৰিণ্টিং প্ৰেছ সমূহ 'A' 'B' আৰু 'C' শ্ৰেণীত বিভিক্ত কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি প্ৰেছ সমূহৰ শ্ৰেণী পৰিশিষ্ট "খ"ত দেখুৱা হৈছে।

(See the Annexure VI)

চ) ছপা কৰাৰ বাবদ কোনো নগদ ধন বা চেকযোগে দিয়া হোৱা নাই। সকলোবোৰ দিবলগীয়া ধন A/C payment চেক যোগে আদায় দিয়া হৈছে। গতিকে এই ক্ষেত্ৰত কোনো অনিয়মৰ প্ৰশ্ন নুঠে।

ছ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ সঞ্চালকালয়ৰ ক্ষেত্ৰত প্ৰয়োজ্য নহয়।

## বিষয় ঃ পিয়াজৰ বীজ কেলেংকাৰী।

**শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ**

* ২৫৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পিয়াজৰ বীজ কেলেংকাৰীৰ যুঁটীয়া সচিব সচিব পৰ্য্যায়ত তদন্ত কৰা হলেনে?

(খ) যদি তদন্ত কৰা হৈছে, তেন্তে কি ব্যৱস্থা লোৱা হৈছে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিষয়টো মাননীয় উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতত বিচাৰাধীন হৈ থকা হেতু বিভাগীয় তদন্তৰ কামত আগবাঢ়িব পৰা নাই।

(খ) প্ৰশ্ন নুঠে।

### Re.: Nos. of shallow Tube Wells.

**Shri Abu Saleh Najmuddin** asked :

*259. Will the Minister of Agriculture be pleased to state :-

(a) How many numbers of shallow Tube well have been installed under World Bank's Assistance/Nabard Assistance in Barak Valley District of Karimaganij/Cachar/Hailakandi?

(b) If so then where STW were Installed? If not why?

**Shri Chandra Mohan Patowary** (Minister Agricultural) replied :-

(a) No shallow Tube Wells have been installed under Ariasp and Nabard in the Barak Valley Districts of Karimganj/Cachar/Hailakandi.

(b) The STWs were not installed in the Barak Valley districts of Cachar/ Karimganj/ and Hailakandi because as per report of the Centeral Ground Water Board the installation of STWs in the above districts was not feasble and the cost was prohibitive.

However, the Agriculture Department have undertaken programme for distribution of Low Lift pumps in the above districts under PASMAFAP (CIP) out of the Department's plan funds.

### Re.: Women Labours in the ten Garden.

**Shri Prithibi Majhi** asked :

*260. Will the Minister of Labour be pleased to state :-

(a) Is there any special scheme to raise the general standard of the women Labourers in the Ten Gardens of Assam?

(b) If yes, what is the name of the institution that carry out such schemes?

(c) What are the provisions for raising standard of the Women Workers of Tea Gardens?

(d) Who run this institution and waht amount of grant-in-aid is provided to this organisation by the Government of Assam to run this centre.

**Shri Phani Bhushan Choudhury** (Minister, Labour & Employment) replied:

(a) Yes.

(b) Mezenga Female Labour Welfare Training Centre.

(c) Provisions exist for training in cutting and tailoring, weaving, knitting and eboridery, hygiene and child care.

(d) The Instituting is run by the Assam Tea Employees Welfare Board. An amount of Rs. 22,5000 (Rupees twenty two thousand and five hundred) per annum is given as Grants-In-Aid by the Government.

## SHORT NOTICE QUESTIONS AND ANSWERS

**Hon'ble Deputy speaker** : Now short Notice Questions No 3.

**শ্ৰীআব্দুৰ ৰৌফে সুধিছে ঃ**

৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত জি, কে এম, ই মাদ্ৰাছাৰ স্কুল বিল্ডিংগুৰ বিভাগীয় আদেশ নোহোৱাকৈ প্ৰধান শিক্ষকে স্থানান্তৰ কৰা কথাটো সঁচানে?

(খ) উক্ত বিদ্যালয়ৰ কিছু শিক্ষকে মূল শ্ৰেণী পঢ়াই থকাৰ অপৰাধত প্ৰধান শিক্ষকে February মাহৰ দৰমহা আৰু বকেয়া দৰমহা বৌকৰ পৰা উঠাই লোৱা হব জনাবনে?

(গ) যদি সঁচা হয় তেনেহলে প্ৰধান শিক্ষকৰ ওপৰত কি শাস্তিমুলক ব্যৱস্থা লোৱা হব জনাবনে?

(ঘ) উক্ত বিদ্যালয়ত বিধানয়ক পূজিত ধন উক্ত প্ৰধান শিক্ষকৰ জি, কে এম, ই মাদ্ৰাছা গলিয়াত খৰচ নকৰি আত্মসাৎ কৰা কথাটো চৰকাৰ অৱগত নে?

**শ্ৰীথানেশ্বৰ বড়ো** (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বিধায়ক পুজিৰ পৰা প্ৰধান শিক্ষকে ১৪,০০০ টকা পায় আৰু খৰচৰ হিচাব ৩-১১-৯৯ তাৰিখে বৰপেটা জিলাৰ উপায়ুক্তৰ হাতত দাখিল কৰে।

## বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই** সুধিছে ঃ

৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কোকৰাঝাৰ জিলাত সংঘৰ্ষে পীড়িত অঞ্চল সমূহত ১৯৯৭-৯৯ ইং বিত্তীয় বছৰত দি, আৰম, দি, এৰ JRY, MWS আৰু EAS ৰ ধনেৰে ক'ত কি কি ৰাস্তা আৰু পুখুৰী খন্দা হৈছিল জনাবনে?

(খ) সেই ৰাস্তাবোৰৰ কবদ মুঠ কিমান ধন থকা হৈছিল আৰু সেই বিলাকৰ দৈৰ্ঘ্যতা কিমান আছিল জনাবনে?

(গ) কোকৰাঝাৰ DRDA ৰ অধীনত দোৰৰা গাঁওত DRDA ৰ ধনেৰে পুখুৰী খন্দাটো সঁচানে? আৰু আচঁনিটোৰ বাবদ মুঠ কিমান ধন খৰচ কৰা হৈছিল জনাব নেকি?

(ঘ) সেই পুখুৰীখনৰ পৰা মুঠ কিমান মাছ উৎপাদন হ'ল জনাব।

**শ্ৰীছহিদুল আলম চৌধুৰীয়ে** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) কোকৰাঝাৰ জিলাত সংঘৰ্ষ পীড়িত অঞ্চল সমূহত ১৯৯৭-৯৮ ইং বিত্তীয় বছৰত EAS ৰ ধনেৰে নিম্ন লিখিত আঁচনি সমূহত কোকৰাঝাৰ দি, আৰ, দি এয়ক পায়ন কৰিছিল।

| আঁচনিৰ নাম | ধাৰ্য্য টকা | ৰাস্তাৰ দৈৰ্ঘতা | |
|---|---|---|---|
| নত্তবৎ | | | |
| (১) নায়েৰ গাঁওৰ পৰা গড়লা বোকা ৰাস্তা লগতে সাত টা কালভাৰ | ২.০০ লাখ | ৩.৫ কিঃ মিঃ | ৰাস্তা |
| (২) নায়েক গাঁওৰ পৰা গাডাবে ঝাৰালৈ ৰাস্তাৰ উন্নতিকৰণ। | ৩.০০ লাখ | ৪.০০ লাখ | ৰাস্তা |
| (৩) কাকড়ীখোলাৰ পৰা কুমগুড়ী প্ৰাথমিক বিদ্যালয়লৈ ৰাস্তা নিৰ্মাণ। | ১.৫০ লাখ | ২.৩০ লাখ | ৰাস্তা |
| (চিদলী চিৰাং উন্নয়ণ খণ্ড) | | | |
| (১) কণীয়াখাতা বড়ো হাইস্কুলৰ পৰা PHE পাম্প হাউলৈ | ৩.০০ লাখ | ৩.৫ কিঃমিঃ | ৰাস্তা |

| | | | |
|---|---|---|---|
| (২) ঠাইকাজোৰা আদিবাসী গাঁওৰ ৰাস্তা আৰু কালভাৰ্ট নিৰ্মাণ | ০.১০ লাখ | ০.৫০ কিঃমি | ৰাস্তা |
| (৩) সৰুৰাকালীন আইন শৃঙ্খলাৰ বাবে বাগটল শিলগুটি দিয়া | ০.১০ লাখ | ০.৫০ কিঃমি | ৰাস্তা |

**(কছুগাওঁ উন্নয়ন খণ্ড)**

| | | | |
|---|---|---|---|
| (১) কছুগাওঁ ৰায়নানা ৰাস্তা উন্নতীকৰণ | ১.০০ লাখ | ১.০০ কিঃমি | ৰাস্তা |
| (২) ৩১ নং নেচনেল হাইওৱেৰ পৰা টেপলা কোডালৈ ৰাস্তা নিৰ্মাণ। | ১.০০ লাখ | ১.০০ কিঃমি | ৰাস্তা |

**গোসাইগাওঁ উন্নয়ণ খণ্ড**

| | | | |
|---|---|---|---|
| (১) গোসাইগাওঁ চৰাইবিল P.W.D. ৰাস্তাৰ উন্নতিকৰণ | ২.০০ লাখ | ১.৫০ কিঃমি | ৰাস্তা |

**হাতীধৰা উন্নয়ণ খণ্ড**

| | | | |
|---|---|---|---|
| (১) হৰিপুৰৰ পৰা ধুতুৰায়াৰীলৈ কালভাৰ্ট সহ ৰাস্তা নিৰ্মাণ | ০.৫০ লাখ | ০.৫০ কিঃমি | ৰাস্তা |
| (২) খায়েৰকাটাৰ পৰা শ্ৰীৰাম পৰলৈ ৰাস্তা নিৰ্মাণ। | ১.০০ লাখ | ১.০০ কিঃমি | ৰাস্তা |
| মুঠ | ১৬.১০ লাখ | ২০.০০ কিঃমি | |

বিঃদ্রঃ ১৯৯৭-৯৮ চনত JRY আৰু MWS ৰ অধিনত কোনো আঁচনি লোৱা হোৱা নাই। ১৯৯৮-৯৯ চনত JRY ৰ অধীনত নিম্মলিখিত আঁচনি সমূহ ৰূপায়ন কৰিছিল।

**(কোকৰাঝাৰ উন্নয়ণ খণ্ড)**

| | | | |
|---|---|---|---|
| ১) দামোদৰ ৰয়ৰ ঘৰৰ পৰা ভাটিপাৰা কৌনিয়া ৰাস্তা হৈ টকো গাওঁ কাঠৰ দলঙৰ ৰাস্তা নিৰ্মান। | ১.০০ লাখ | ১.০০ কিঃমি | ৰাস্তা |
| ২) বাঙাল ডোবাৰ পৰা কুটিং পাৰা ৰাস্তা। | ১.২৫ লাখ | ১.০০ কিঃমি | ৰাস্তা |

**(চিডলীচিৰাং উন্নয়ণ খণ্ড)**

| | | | |
|---|---|---|---|
| ১) ভুৰ পৰাৰৰ পৰা কঠাল ৰাস্তাৰ উন্নতি কৰণ। | ১.০০ লাখ | ১.০০ কিঃমিঃ | ৰাস্তা |

(কছুগাওঁ উন্নয়ণ খণ্ড)

১) দৈচাকান্দা নদীৰ ওপৰত ২.০০ লাখ দলং
দলং নিৰ্মান।

(গোসাই গাওঁ উন্নয়ণ খণ্ড)

১) ডিকে ৰাস্তাৰ পৰা আলোঝাড় ২.০০ লাখ ১.৫০কিঃমিঃ ৰাস্তা
হৈ হেচপাৰ গাওঁলৈ ৰাস্তা নিৰ্মাণ।

২) শিঙিমাৰী দলঙৰ মেৰামতি ০.৫০ লাখ দলং

৩) ঠাব্ৰা মঠাউৰি নিৰ্মাণ ০.৫০ লাখ ০.৩০ কিঃমিঃ ৰাস্তা

মুঠ ৯.২৫ লাখ ৫.৮০ কিঃমিঃ

১৯৯৮-৯৯ চনত EAS ৰ অধীনত নিম্নলিখিত আঁচনি সমূহ ৰূপায়ন কৰিছিল।

(গোসাইগাওঁ উন্নয়ণ খণ্ড)

১) ভুকাৰ পৰা শিঙিমাৰীলৈ ০.৫০ লাখ ০.৩০ কিঃমি ৰাস্তা
গাওঁৰ ৰাস্তাৰ উন্নতিকৰণ।

২) মাগুৰমাৰীৰ পৰা চাংকিজানী ০.৫০ লাখ ০.৩০ কিঃমি ৰাস্তা
গাওঁলৈ ৰাস্তা নিৰ্মান

ক) ১৯৯৮-৯৯ চনত MWS ৰ অধীনত নিম্নলিখিত কোনো আঁচনি হাতত লোৱা নাই।

খ) উল্লেখিত ৰাস্তাবোৰৰ বাবদ মুঠ ২৬.৩৫ লাখ টকা ধাৰ্য্য কৰা হৈছিল। এই ৰাস্তাবোৰৰ দৈৰ্ঘ্যতা আছিল ২৬.৪০ কিঃমিঃ।

গ) হয় সঁচা। ধাৰ্য্য কৰা ধনৰ পৰিমান ১.০০ লাখ। খৰচ কৰা হয় ৯৭,০০০.০০ টকা।

ঘ) বছৰি আনুমানিক তিনি কুইন্টল মাছ উৎপাদন হয়।

## Re.: World Bank Fund.

**Smti Pranati Phukan** asked :

512. Will the Minister of Agriculture be pleased to state :-

(a) What are the different projects taken up under World Bank fund by ARIASP in Assam?

(b) The details of various projects under implementation may be

furnished showing district and sub-division wise break up?

(c) When are these projects likely to be completed?

(d) What is the basis of selection of sites of these projects in various districts?

**Shri Chandra Mohan Patowary** (Minister of Agricultural) replied :-

(a) The different projects taken up under ARIASP funded by World Bank is furnished at Annexure - 1 and tabled in the House.

(b) The staff Apprisal report (SAR) of ARTASP does not detail the district/ Sub-Division Wise break up for individual Schemes. The Schemes are placed under four broad components -- A. Poverty Alleviation, B. Institutional Development, C. Infrustructure Development, and D. project Implementation.

Except incase of P.W.D. and A.H. & Veterinary Departments, all others schemes are being implemented in all districts of Assam. Incase of P.W.D. the schemes are implemented in the following 6(six) districts: (1) Kamrup (2) Darrang (3) Sibsagar (4) Nagaaon (5) North Lakhimpur (6) Cachar.

In case of A.H. & Veterinary the schemes are being implemented in the following eleven districts : (1) Kamrup (2) Jorhat (3) Cachar (4) Bapeta (5) Nagaon (6) Darrang (7) Nalbari (8) Sonitpur (9) Tinsukia (10) Dibrugarh (11) Golaghat.

(c) The closing date of ARIASP is December 31, 2003.

(d) The selection of sites for construction is done as per the staff Apprisal Report (SAR). The Selection of beneficiaries of Schemes, whenever necessary, is done by the district level authorities.

## বিষয় ঃ EAS মোকলাই দিয়া পুঁজি।

শ্রীনিজামুদ্দিন খানে সুধিছে সুধিছে ঃ

৫১৩। মাননীয় গ্রামোন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১৯৯৯-২০০০ বিত্তীয় বৰ্ষত EAS আঁচনিৰ অধীনত অসম্পূৰ্ণ বাৰে থকা আঁচনিৰ কাম সম্পূৰ্ণ কৰিবলৈ কিমান পুঁজি মোকলাই দিয়া হৈছে।

(জিলা ভিত্তিত জনাব)

(খ) উক্ত পুঁজিৰে সম্পূৰ্ণ কৰিবলগীয়া বা সম্পূৰ্ণ কৰা আঁচনিৰ সংখ্যা আৰু টকাৰ পৰিমান ব্লক ভিত্তিত জনাবনে?

শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয় মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সৰ্বমুঠ ২৬৩৭.৫০ লাখ টকা মোকলাই দিছে। জিলাভিত্তিত পুঁজিৰ মোকলাই দিয়াৰ তালিকা পৰিশিষ্ট "ক"ত দেখুৱা হ'ল।

(See the Annexure VII)

(খ) আঁচনি সমূহৰ সংখ্যা আৰু টকাৰ পৰিমান জিলা ভিত্তিত (ব্লক হিচাবে) পৰিলিষ্ট "গ"ত সদনৰ মেজত পেচ কৰা হ'ল।

## Re.: Nos of Senior B.D.O., B.D.OS. APO (T) and Project Director.

**Shri Sukhendu Shekhar Dutta** asked :

514. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) How many Senior D.D. Os, B.D. Os, APOS (T) and project Directors (DRDA) are there in the State of Assam?

(b) Will the Govt. Submit a list of the names of all the categories stated above? (on the table of the House).

**Shri Sahidul Alam Choudhury** (Minister, panchayat and Rural Development) replied :

(a) There are 134 Nos. of Senior B.D.Os, 177 Nos of B.D. Os, 60 Nos of A.P.Os (T) and 23 Nos of project Directors D.R.D.A. in Assam.

(b) A lost indicating the names of all categories is placed on the table of the House.

(See Annexure VIII)

## Re.: Monthly allocation of Kerosine Oil.

**Shri Abu Saleh Najmuddin** asked :

515.Will the Minister of Food and Civil Supplies be pleased to state:

(a) What was the monthly allocation of Kerosine Oil for the district of Karimganj for the year 1997-98 and 1999 up to January, 2000? (Please furnish the monthly allocation list)

**Shri Pradip Hazarika** (Minister, Food & Civil Supplies) replies :

(a) The monthly allocation of S.K.Oil for the Karimganj District for the year 1997-98 and 1999 up to January, 200 is placed at Annexure "A". (See the Annexure IX)

## বিষয় ঃ শুলভ মূল্যৰ দোকান।

**শ্ৰীশুকুৰ আলী** য়ে সুধিছে ঃ

৫১৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) স্থানীয় বিধায়কৰ চুপাৰিশি মতে প্ৰত্যেক গাওঁ পঞ্চায়তৰ এলেকাত দুটা সুলভ মূল্যৰ দোকানৰ ডিলাৰ আৰু পাঁচটা হকাৰ নিযুক্তি দিয়াৰ ঘোষণা কৰিছিল? উক্ত ডিলাৰ আৰু হকাৰ নিযুক্তি নিদিয়াৰ কাৰণ কি?

(খ) উক্ত ডিলাৰ আৰুহকাৰ নিযুক্তি দিয়া হবনে?

(গ) যদি দিয়া হয়, তেন্তে কেতিয়া দিয়া হব?

**শ্ৰীপ্ৰদীপ হাজৰিকা** (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ ঘোষিত নীতি অনুসৰি সুলভ মূল্যৰ দোকান আৰু হোকাৰ নিযুক্তি দি থকা হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ চাৰিটকীয়া চাউল যোগানৰ আঁচনি।

**ডাঃ কল্যান কুমাৰ গগৈয়ে** সুধিছে ঃ

৫১৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা পৰিয়াল বিলাকক চাৰিটকীয়া চাউল যোগানৰ আঁচনি প্ৰযোজ্য হৈ আছেনে?

(খ) যদি প্ৰযোজ্য হৈ আছে, তেন্তে ডিব্ৰুগড় জিলাত এই আঁচনিৰ দ্বাৰা উপকৃত হোৱা পৰিয়ালৰ সংখ্যা কিমান ? (সমষ্টি ভিত্তিত পৰিয়ালৰ সংখ্যা দিব)

(গ) ডিব্ৰুগড় জিলাত দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা পৰিয়ালে চাৰিটকীয়া চাউলৰ আঁচনিৰ পৰা উপকৃত হৈছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা** (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰয়োজ্য হৈ আছে।

(খ) ডিব্ৰুগড় জিলাত এই অঁচনিৰ দ্বাৰা উপকৃত হোৱা পৰিয়ালৰ মুঠ সংখ্যা ৭৯,৭৮০ টা সমষ্টিত ভিত্তিত তলত দেখুৱা হ'ল ঃ—

(১) লাহোৱাল বিধান সভা সমষ্টি............ ১৩,৬৪৪ টা পৰিয়াল

(২) ডুলিয়াজান বিধান সভা সমষ্টি ............ ৯,৪২০ টা পৰিয়াল

(৩) চাবুৱা বিধান সভা সমষ্টি ............ ৯,০৮৩ টা পৰিয়াল

(৪) নাহৰকটীয়া বিধান সভা সমষ্টি............ ১৩,৫৭৩ টা পৰিয়াল

(৫) লাহোৱাল বিধান সভা সমষ্টি ............ ১০,৪৮৯ টা পৰিয়াল

(৬) মৰান বিধান সভা সমষ্টি ............ ১৬,৯২১ টা পৰিয়াল

(৭) ডিব্ৰুগড় বিধান সভা সমষ্টি ............ ৬,৬১০ টা পৰিয়াল

(গ) ডিব্ৰুগড় জিলাত দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা পৰিয়ালৰ সংখ্যা ১৯৯১ চনৰ লোক পিয়লমতে আনুমানিক ৯১,৭৮৬ টা। দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা পৰিয়ালৰ সংখ্যা সমষ্টিভিত্তিত এনেধৰণৰ ঃ—

(১) লাহোৱাল বিধান সভা সমষ্টি ............ ১৬,২৩৬ টা

(২) ডুলিয়াজান বিধান সভা সমষ্টি ............ ১১,১০৬ টা

(৩) চাবুৱা বিধান সভা সমষ্টি ............ ১০,৮০৮ টা

(৪) নাহৰকটীয়া বিধান সভা সমষ্টি ............ ১৬,১৫২ টা

(৫) টিংখাং বিধান সভা সমষ্টি ............ ১২,৪৮২ টা

(৬) মৰান বিধান সভা সমষ্টি .................................. ২০,১৩৬ টা

(৭) ডিব্ৰুগড় বিধান সভা সমষ্টি .................................. ৭,৮৬৬ টা

(ঘ) শতকৰা ৮৪ টা দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালে এই আঁচনিৰ পৰা উপকৃতহৈছে।

## Re.: Incomplete work of D.R.D.A.

**Shri Abdul Muqtadir Choudhury** asked :

*518. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) The amount of money released as Ist instalment of E.A.S. money for 1999-2000 to complete the incomplet work of D.R.D.A.

1) Cachar 2) Karimganj and Hailakandi ?

(b) What are the incomplete schemes taken up by D.R.D.A. 1) Cachar 2) Karimaganj and Hailakandi to utilise the Ist instalment of money of the E.A.S. in 1999-2000?

(Name of the scheme and amount sanctioned against each scheme to be mentioned and place on the Table of the House)

(c) Wheter the 2nd instalement fund of E.A.S. 1999-2000 have been released?

**Shri Sahidul Alam Choudhury** (Minister of Panchayat and Rural Development) replied :

(a) 1) Cachar - Rs. 132.62 lakh

2) Karimagaj Rs. 95.23 lakh

3) Hailakandi Rs. 42.24 lakh

(b) Details furnished at annexure I, II & III respectively for Cachar, Karimganj & Hailakandi.

(c) Yes, Rs. 1761.19 lakh released by Govt. of India as 2nd instalment under EAS 1999-2000.

## বিষয় ঃ NABARD ৰ জৰিয়তে কৰা ৰাস্তাৰ কাম।

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

৫১৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) NABARD ৰ জৰিয়তে গ্ৰামোন্নয়ন বিভাগত কেইটা ৰাস্তাৰ কাম হাতত লোৱা হৈছে? এই ৰাস্তা কেইটা কি কি?

(খ) NABARD ৰ আঁচনিৰ জৰিয়তে কাজলিচকিৰ পৰা লাহাৰিঘাটলৈ নিৰ্মাণ হৈ থকা দলং বোৰৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) উক্ত ৰাস্তাটো NABARD ৰ আঁচনিৰ দ্বাৰা নিৰ্মাণ কৰা হ'ব নে? যদি হয় তেতিয়া হলে কেতিয়াৰ পৰা কাম আৰম্ভ কৰা হ'ব?

শ্ৰীছহিদুল আলম চৌধুৰী য়ে উত্তৰ দিছে ঃ

(ক) NABARD ৰ জৰিয়তে গ্ৰামোন্নয়ন বিভাগত কোনো ৰাস্তাৰ কাম লোৱা হোৱা নাই।

(খ) গ্ৰামোন্নয়ন বিভাগ জ্ঞাত নহয়।

(গ) গ্ৰামোন্নয়ন বিভাগ জ্ঞাত নহয়।

## Sub.: Kharif Cultivation.

**Shri Pradyut Bordoloi** asked :

*520. Will the Minister of Agriculture be pleased to state :

(a) How much area was vacated from kharif cultivation to Rabi Crops or Mustard in Assam during the present year?

(b) How much area has been gone from kharif paddy to Sali paddy in Assam by the month of September in this year?

**Shri Chandra Mohan Patowari** (Miniter of Agriculture) replied :

(a) No area has been vacated during kharif, 1999 for Rabi Crops or Mustard.

(b) Sali paddy itself is a kharif paddy. Kharif paddy includes normal Ahu paddy and Sali paddy.

## Re.: Fair Price Shops.

**Shri Ajit Singh** asked :

*521. Will the Minister of Food & Civil Supplies be pleased to state :

(a) Is it fact the Govt. has not taken up steps to accord appointments of Fair price shops (F.P. Shops) & Howkers as per provisions?

(b) How many licence have so far been issued in udarband Constituency of Cachar District?

(Govt detailed list)

**Shri Pradip Hazarika** (Minister of Food & Civil Supplies) replied :

(a) It is not a fact.

(b) No licence of additional Fair price shop Dealer or additional S.K.Oil Hawker have so far been issued in Udarband COnstituency of Cachar District.

## বিষয় ঃ তাঁতশাল, সূতা, টিনপাতৰ বিতৰন।

**শ্ৰীঅতুল বৰাই** সুধিছে ঃ

৫২২। মাননীয় হস্ততাত ও বস্ত্ৰ শিল্প, মন্ত্ৰী য়ে অনুগ্ৰহ কৰি জনাব নে ঃ

(ক) ১৯৯৬ চনৰ ১৫ মে'ৰ পৰা ২০০০ চনৰ ১০ মাৰ্চলৈ সমগ্ৰ অসমত তাঁতশাল আৰু সূতা টিনপাত আদি কিমান শিপিনীক/মহিলাক উপকৃত কৰিছে?

(খ) তাঁতশাল সূতা টিনপাত আদি কোনবোৰ আঁচনিৰ দ্বাৰা দিয়া হয়?

(গ) ১৯৯৬ চনৰ ১৫ মে'ৰ ৰা ২০০০ চনৰ ১০ মাৰ্চলৈ কিমান টকাৰ এনে সামগ্ৰী কিনিছে?

(ঘ) যিবোৰ ফাৰ্মে সামগ্ৰী যোগান ধৰিছে সেইবোৰৰ নাম আৰু কোনখন ফাৰ্মে কিমান টকাৰ কি কি সামগ্ৰী কি কি দৰত যোগান ধৰিছে? (সদনৰ মেজত দিব)

(ঙ) চিলাই মেচিন যদি যোগান ধৰিছে তেন্তে ক'ত কেনেকৈ সেইবোৰ বিতৰন কৰিছে আৰু সেইবোৰ কি দৰত কিনা হৈছে?

(চ) কেন্দ্ৰীয় চৰকাৰে কোনবোৰ আঁচনিত ধন দিছে আৰু কিমান পৰিমানৰ?

(ছ) অহা ৩১ মাৰ্চৰ ভিতৰত আৱন্টিত ধন খৰচ কৰিব পৰা যাবনে? এই পৰ্যন্ত খৰচ নকৰাকৈ থকা ধনৰ পৰিমান কিমান?

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা (মন্ত্ৰী, হঁস্ততাত আৰু বস্ত্ৰশিল্পী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ১,৫৯,৩৪৭ গৰাকী শিপিনীক উপকৃত কৰিছে।

(খ) তাঁতশাল সূতা টিনপাত আদি নিম্ন লিখিত আঁচনিৰ দ্বাৰা দিয়া হয়।

(১) ৰাজ্যিক পৰ্য্যায়ৰ

'হস্ততাত বস্ত্ৰ উৎপাদন আঁচনি' ৰ অধীনত উবামাকো তাতশাল আৰু সূতাৰ যোগান দিয়া হয়।

(২) কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠাপোষকতাত "সমন্বিত প্ৰকল্প আঁচনি", সংহত হস্ততাত গ্ৰাম্য বিকাশ প্ৰকল্প আচনি" আৰু "কৰ্মচালি তথা গৃহনিৰ্মান আঁচনি"ৰ জৰিয়তে তাঁতশাল সূতা আৰু টিনপাত দিয়া হয়।

(গ) মুঠ ১৩,০৫,৪৯,৩৮৭ টকাৰ এনে সামগ্ৰী কিনা হৈছে।

(ঘ) বিতং তথ্য তালিকা 'ক'ত সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(ঙ) আমাৰ বিভাগে চিলাই মেচিন যোগান ধৰা নাই।

(চ) কেন্দ্ৰীয় চৰকাৰে নিম্ন লিখিত আঁচনি সমূহত ১৯৯৬ চনৰ ১৫ মে'ৰ পৰা ২০০০ চনৰ মাৰ্চলৈ মুঠ ৩৫,৭১.৪৭ টকা মোকোলাই দিছে।

আঁচনি সমূহ হ'ল

১) বানিজ্যিক উন্নয়ন সাহাৰ্য্য আঁচনি

২) সংহত হস্ততাত গ্ৰাম্য উন্নয়ন প্ৰকল্প আঁচনি।

৩) সমন্বিত প্ৰকল্প আঁচনি।

৪) কৰ্মচালি তথা গৃহনিৰ্মান আঁচনি।

৬) জনতা বস্ত্ৰ উৎপাদন আঁচনি।

৭) শিপিনীৰ বীমা আঁচনি।

ছ) কেন্দ্ৰীয় চৰকাৰে মোকোলাই দিয়া মুঠ ৩৫৭১.৪৭ টকাৰ বিপৰীতে বৰ্তমানলৈ ৰাজ্য চৰকাৰৰ বাজেট নথকা এতিয়া লৈকে ১৪৮২.৩৭ টকা মোকলাই দিব পৰা হোৱা নাই। ১৯৯৯-২০০০ চনৰ বিত্তীয় বছৰত ৰাজ্যচৰকাৰে মোকোলাই দিয়া কেন্দ্ৰীয় আঁচনিৰ ধন ৩১ মাৰ্চ ২০০০ ভিতৰতে খৰচ কৰি আঁচনি ৰূপায়নৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ চাহ বাগিছাৰ সংখ্যা।

**শ্ৰীপৃথিৱী মাঝী** য়ে সুধিছে ঃ

৫২৩। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী য়ে অনুগ্ৰহ কৰি জনাব নে ঃ

(ক) অসমত মুঠ কিমান সংখ্যক চাহ বাগিছা আছে (ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বাগিছা সমূহ বেলেগ বেলেগ দেখুৱাৰ)?

(খ) বৰ্তমানলৈকে কিমান সংখ্যাক চাহ বাগিছাত কল্যাণ বিষয়া নিযুক্তি দিয়া হৈছে আৰু কিমান খন চাহ বাগিছাত কল্যাণ বিষয়া নিযুক্তি দিবলৈ বাকী আছে?

(গ) কল্যাণ বিষয়া নিযুক্তি দিবলৈ বাকী থকা চাহ বাগিছা সমূহ কেতিয়া নিযুক্তি দিয়া হব জনাবনে?

**শ্ৰীফণী ভূষণ চৌধুৰী** (শ্ৰম ও নিয়োগ মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) ৮২১ খন। বৰাক উপত্যাকাত ৭১৭ খন আৰু বৰাক উপত্যকাত ১০৪খন।

(খ) ৪১১ খন চাহ বাগিছাত নিযুক্তি দিয়া হৈছে আৰু ২৪ খনত বাকী আছে।

(গ) বাগিছা সমূহক সোনকালেই নিযুক্তিৰ ব্যৱস্থ লবলৈ কোৱা হৈছে।

## বিষয় ঃ পঞ্জীয়ণভুক্ত নিবনুৱাৰ সংখ্যা।

**ডাঃ কল্যাণ কুমাৰ গগৈ** য়ে সুধিছে ঃ

৫২৪। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে য়ে অনুগ্ৰহ কৰি জনাব নে?

(ক) পঞ্জীয়ণ ভুক্ত আৰু পঞ্জীয়ণ ভুক্ত নোহোৱা মুঠ নিৱনুবাৰ সংখ্যা কিমান? (জিলা ভিত্তিত হিচাব দিবলৈ অনুৰোধ কৰা হ'ল।

(খ) ১৯৯৬ চনৰ ৰ এপ্ৰিলৰ পৰা ২০০০ চনৰ জানুৱাৰীলৈকে নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি কিমান নিৱনুবাক নিয়োগ কৰা হ'ল।
(জিলা ভিত্তিত হিচাব দিবলৈ অনুৰোধ কৰা হ'ল)

**শ্ৰীফণী ভূষণ চৌধুৰী** (নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পঞ্জীয়ণ ভুক্ত নিবনুৱাৰ সংখ্যা ১৬,৩৫,৪৫৪ জন। পঞ্জীয়ণ ভুক্ত নোহোৱা নিবনুৱাৰ সংখ্যা ৰখা নহয়। জিলা ভিত্তিক পঞ্জীয়ণ ভুক্ত নিবনুৱাৰ সংখ্যা তালিকা দিয়া হৈছে।

(See the Annexure X)

(খ)৯,৩৬৯ জন। জিলা ভিত্তিক তালিকা দিয়া হৈছে।

(See Anexure X)

## Re.: Assam Agricultural Development.

**Shri Pradyut Bordoloi** asked :

525.Will the Minister of Agriculture be pleased to state :

(a) Is it a fact that Assam's Agricultural Development Strategy was devised initially in an Eastern Regional Conference held under the Chairmanship of Dr. Swaminathan in 1979 and that this strategy was repeatedly quoted in the plan Discussions of 1987, 1988 and 1989?

(b) If yes, is the present Government following same strategy and if not what is the present strategy of the Government for rapid agricultural development in the State?

**Shri Chandra Mohan Patowary** (Minister of Agriculture) replied :

(a) The Department has no Knowledge about the report as mentioned in the question.

(b) The Department of Agriculture is aimed at stimulating agricultural growth in the State providing priority on

(1) To bring more area with assured irrigation by implementing various minor irrigation schemes which will ensure substantial area under Rabi Crops.

(2) To increase the use of farm power by mechanisation.

(3) To facilitate easy and timely availability of seeds, fertiliser & pesticides.

(4) To provide quick & timely service to the farmers at the grass root levely by establishing Block Agriculture office.

## Re.: F.I. Card.

**Shri Abu Saleh Najmuddin** asked :

526. Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether Govt. have prepared the F.I. Card on the basis of 1991 census report for the District of Karimganj?

(b) If yes, then when the F.I. Card will be issued to the people?

**Shri Pradip Hazarika** (Minister, Food & Civil Supplies) replies :

(a) No.

(b) Does not arise.

## বিষয় ঃ অগভীৰ নলীনাদ।

**ডাঃ কল্যাণ কুমাৰ গগৈ** য়ে সুধিছে ঃ

৫২৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত অসম চৰকাৰে আজি পৰ্য্যন্ত কিমানটা অগভীৰ নলা নাদ স্থাপন কৰিলে আৰু মুঠ কিমান টকা খৰচ হ'ল?

(খ) এই অগভীৰ নলা নাদৰ সামগ্ৰী সমূহ কৃষকৰ নিজ নিজ গাঁৱত গতাই দিয়াৰ অজুহাতত প্ৰতিজন কৃষকৰ পৰা পৰিবহন ব্যয়ৰ নামত এহেজাৰৰ পৰা দুহেজাৰ পৰ্য্যন্ত লোৱাৰ কথা চৰকাৰ অৱগতনে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত চৰকাৰৰ কৃষি বিভাগে ডিব্ৰুগড় জিলাত আজি পৰ্য্যন্ত মুঠ ৫৫৫.৩০ লক্ষ্য টকা ব্যয়েৰে ৩৬৯০ টা অগভীৰ নলানাদ স্থাপন কৰিছে।

(খ) চৰকাৰ অৱগত নহয় কিয়নো এতিয়ালৈকে এই ধৰণৰ কোনো অভিযোগ চৰকাৰৰ হাতত পৰা নাই।

## Re.: World Bank Team.

**Shri Pradyut Bordoloi** asked :

528. Will the Minister of Agriculture be pleased to state :

(a) It is a fact that Mr. Hardeep Singh, Task Manager of a World

Bank Team overseeing the implementation of the ARIASP projects has given a review report? If yes, please arrange to table this report copy on the table of the House.

(b) Whether Goverment please furnish facts on target vis-a-vis achievement of ARIASP projects since the year of their launching till date?

**Shri Chandra Mohan Patowary** (Minister of Agriculture) replied :

(a) Yes, copy of the Aide Memoire (World Bank Review) Mission 5-10 January, 2000) is tabled before the House at Annexure - 1

(b) The facts on target vis-a-vis achievement of ARIASP projects since the year of their launching till date is tabled before the House at Annexure - II.

## বিষয় ঃ শীতলীকৰণ ভঁৰাল।

ডাঃ কল্যাণ্ কুমাৰ গগৈ য়ে সুধিছে ঃ

৫২৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰৰ কেইটা শীতলীকৰণ ভঁৰাল আছে জনাবনে?

(খ) অসম বাজ্যিক পৰ্য্যায়ৰ পণ্যগাৰ নিগমে নতুনকৈ শীতলীকৰণ ভঁৰাল সাজিবলৈ জিলা ভিত্তিত কিবা আঁচনি লৈছে নেকি?

(গ) শীতলীকৰণ ভঁৰালতকৈ পণ্যগাব ভঁৰাল বনাবলৈ চৰকাৰ বেছি আগ্ৰহ, সঁচা নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

| ভঁৰালৰ স্থান | মজুতকৰণ ক্ষমতা |
|---|---|
| ১) খানাপাৰা | ২ হেজাৰ মেট্ৰিক টন। |
| ২) হাউলী | ৫০ মেট্ৰিক টন। |

ইয়াৰ উপৰিও ধুবুৰী জিলাৰ উপায়ুক্তৰ তত্বাবধানত আনটাইদ ফাণ্ডৰ শিতানৰ পৰা ১ টা ৫০ মেট্ৰিক টন মজুতকৰণ ক্ষমতা সম্পন্ন শীতলীকৰণ ভণৰাল গৌৰীপুৰত নিৰ্মাণ কৰা হৈছে। কৃষি বিভাগৰ দুয়োটা শীতলীকৰণ ভঁৰাল অসম ৰাজ্যিক কৃষি বিপণণ পৰিষদক হস্তান্তৰ কৰা হৈছে।

খ) অসম ৰাজ্যিক পন্যগাৰ নিগমে শীতলীকৰণ ভঁৰাল সাজিবলৈ কোনো আঁচনি লোৱা নাই।

গ) প্ৰশ্ন নুঠে।

**Deputy Speaker :** Now Question Hour is over.

* **Shri Silvius Condpan :** Under Rule 34 of the Rules of procedure and Condduct of Businesmin Assam Legislative Assmbly মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছে। কালি আমি সমবেত হৈছিলো আমাৰ বিধায়ক বন্ধু শ্ৰীবিনোদ গয়াৰীৰ মৃত্যুত শোক প্ৰস্তাৱৰ বাবে। নৰ্মেলি আমি সেই দলটোৰ কাৰ্য্য বিবৰণী স্থিগত ৰখা হয়। কেন্সেল নকৰে। সেই বিলাকৰ গুৰুত্ব নিঃশেষ হৈ নাযায় কালি সমবেত হৈছিলো শোক প্ৰস্তাৱৰবাবে। এইটো ৰুলত আছে, মই পঢ়ি দিছো। Merit of the matter fixed for the day does not suffer. It can be taken up for the next day.

All business appointed for any day and not disposed of on that shall stand over until the next day of the Session available for business of the class to which it belongs. এই বিষয় বস্তুটো আৰু বেছি ভালকৈ বুজাবলৈ যি আজিৰ বিষয়টোৰ লগত আৰু সামঞ্জস্য আছে, সেইটো মই পঢ়ি দিছো। IN M.N. Kaul and S.L. Shakdher's "Practice and Procedure of Parliament" Rule says "If the House adjourns without transacting any business on account of death of a sitting Member or a former Member or an outstanding personalty or for any other reason formal item included in the list for that day, me be put down in the list of business for the following day.

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ–(শক্তি আৰু সংসদী পৰিক্ৰমা মন্ত্ৰী) মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ লিডাৰ অৱ দি অপোজিচনে যিটো কথা কৈছে I am not dispnting the contention of your argument. মই ভুৰেনটি ফোৰ বিজনেচ ৰুলত যিটো পাইছো সেই সম্পৰ্কত কৰ বিচাৰিছে I am referring to Rule 24 of the Rules of Proceswre and conduct of Busness in Assam Legistive Assembly under the head "Business outstanding at and of day".

* Speech not corrected

যদি বিজনেচ্ ৮-৩০ লৈকে চলাৰ পিচত সেইদিনৰ কাৰ্য্যসূচী কিবা থাকি গলহেতেন তেতিয়াহলে সেই কথাটো আহে। It is atricky sitution আমাৰ নৰমেল বিজনেচ্ ৮-৩০ লৈকে থাকে। তাৰ পিচত যদি আউটষ্টেণ্ডিং হোৱাৰ পিচত বেচি কিবা থাকি যায় This should be treated as can erlted যিহেতু যোৱাকালি হাউচ বহাৰ লগে লগে এজ্জাৰ্ণ হৈছে সেই কাৰণে মই এইটো এপলিকেবুল নহব বুলি ভাবিছো। কালিৰ কাৰ্য্য সূচীত স্পষ্ট ভাবে কোৱা হৈছে মাননীয় সদস্য সকল, আজি অতি দুখেৰে আপোনালোকক জনাওঁ যে যোৱা কালিলৈকে এই বিধান সভাৰ মজিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰি থকা আমাৰ এগৰাকী বিধায়ক বন্ধু বিনোদ গয়াৰীৰ আজি পুৱা নিজ বাস ভৱনত অকাল মৃত্যু হৈছে। সেই কাৰণে আজিৰ দিনটোত সদনৰ কাৰ্য্যসূচী বাতিল কৰি তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধ জনাবলৈ অনুমতি বিচাৰিছো। (সদনত টেবুল ঢকিয়াই সমৰ্থন জনায়)

গতিকে ইয়াত কাৰ্য্যসূচী বাতিল কৰাৰ কথা কোৱা হৈছে। সেয়েহে ৰাইটলিয়েই হওক বা ৰংলিয়েই হওক সেইটোলৈ আমি যাব বিচৰা নাই। আমি এনেকৈ যাব বিচাৰিছো যিহেতু তেখেতে কিলয়াৰলি কৈছে যে ট্ৰিটেড এচ কেন্সেল আৰু আমিও তাত এপ্ৰোভিল দিছো। কালি আমাৰ ৰুলিংটোৰ ওপৰত ভিত্তি কৰি মই এইখিনি কথা কৈছো। কাউল এণ্ড শক্তধৰৰ পাৰ্লিয়ামেণ্টৰী ৰুলিচ্ প্ৰচিডিঅৰত এই কথাটো লিখা আছে। This rule should not have been referred today in the House. Kanl and Shakdhar also says. "If the House adjourns wethout to an saeting any business on account of the death of a sitting member of an ex Member of an out standing or for any other reason the formal items of business included in the lest of Business for that day may be put down in the list of Business for.

এই ক্ষেত্ৰত আজি মই কি কৰিব পাৰো? সংসদী পৰিক্ৰমা হিচাপে মই আপোনালোকৰ আগত এই কেইটা কথা চাবমিচন কৰিলো। আজি আপোনালোকে এই কথা ৰেইজ কৰিব নেলাগিছিল। আপোনালোকে মোৰ লগত বা মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰলৈ আহিও এই কথাটো আলোচনা কৰিব পাৰিলেহেতেন। ৰুলছত যিটো আছে Snspension of any rule সন্মানীয়া উপাধ্যক্ষা মহোদয়াৰ কন্সেন্ট লৈ মই সদনৰ মাননীয় সদস্য সকলক কব পাৰো নেকি যে যিহেতু ৰুলছ টুৱেনটি ফোৰত চাচপেণ্ড কৰিবৰ কাৰণে অনুৰোধ কৰিছে সেয়েহে এই বিষয়টো উত্থাপন নকৰিলেই সমস্যাটোৰ সমাধান হব।

* শ্ৰীচিলভিউচ কন্দপান ঃ—মাননীয় উপাধ্যক্ষ্য মহোদয়া, যিটো হৈছে সেই সম্পৰ্কত মই কৈছো I want to point out that for any serious matter the Procedings of the House is supended Hon'ble Minister Parlimentary Affairs Should not take ot as a Prestege issue. We would like to have a ruling from chif.

* শ্ৰীহেমেন দাস ঃ- মাননীয় উপাধ্যক্ষা মহোদয়া, বিষয়টো সম্পৰ্কত ৰুলৰ কথা ওলাইছে সেইটো ঠিক। ৰুলচ বিলাক আমিয়েই তৈয়াৰ কৰো। আমি যদি 'বাতিল' তো মানি লও পৃথিবীত কাৰ সাধ্য আছে ইয়াৰ পৰিবৰ্তন কৰাৰ যিহেতু কেনচেল বুলি কৈছে গতিকে কেনচেল হৈছে।

* শ্ৰীচিলভিউচ কন্দপান ঃ—বিৰোধিতা কৰিলে হব। ৰাইজে এইটো কৈছে, তেতিয়াহলে সেয়াই হব নে?

মাননীয় উপাধ্যক্ষা ঃ মই আলোচনা খিনি শুনিছো। এটা কথা হ'ল, যোৱা কালি মাননীয় অধ্যক্ষ কৈছে মাননীয় সদস্য সকল, আজি অতি দুখেৰে আপোনালোকক জনাওঁ যে যোৱা কালিলৈকে এই বিধান সভাৰ মজিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰি থকা আমাৰ এগৰাকী বিধায়ক বন্ধু বিনোদ গয়াৰীৰ আজি পুৱা নিজ বাস ভৱনত অকাল মৃত্যু হৈছে। সেই কাৰণে আজিৰ দিনটোত সদনৰ কাৰ্য্যসূচী বাতিল কৰি তেখেতৰ আত্মৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ অনুমতি বিচাৰিছো। (সদনত টেবুল ঢকিয়াই আমাৰ মাননীয় সদস্য সকলে সমৰ্থন জনায়।)

Now, Zero Hour. I have received as many as I Zero Hours Notices for 6.4.2000 in the name of the following Hon'ble Members.

1. Shri Padma Hazarika
2. Smt. Pranatee Phukan
3. Shri Mohini Basumatary
4. Shri Bhupendra Nath Bhuyan
5. Shri Nizamuddin Khan.
6. Shri Dilip Kumar Saikia
7. Shri Nizamuddin Khan / Shri Abdur Rouf

---

* Speech not corrected

8. Dr. Ardhendu Kumar Dey
   Shri Bharat Chandra Narah
9. Shri Girindra Kumar Barua.

As per rule, I have selected 3 Zero Hour notices for raising before the House today.

I now, Call upon the Hon'ble Member, Shri Padma Hazarika to raise his Zero Hour motion under the caption published in Amar Asom dated 4.4. 2000 'Jia Bharalir Prastabite Dwitiyakhan Dalang Nirman at Anichayita".

* **শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া "আজিৰ অসম" কাগজত প্ৰকাশিত জীয়া ভৰলীত প্ৰস্তাৱিত দ্বিতীয়খন দলং নিৰ্মানত অনিশ্চয়তা' শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

জীয়া ভৰলীৰ ওপৰত এখন দলং নিৰ্ম্মানৰ দাবী শোণিতপুৰ ৰাইজৰ বহু দিনৰ আছিল। দলং নিৰ্মানৰ কাৰণে শোনিতপুৰৰ বিধায়ক, লক্ষীমপুৰ, ধেমাজী জিলাৰ বিধায়কৰ উপৰিও অৰুণাচলৰ ৰাইজেও দলংখন নিৰ্ম্মানৰ কাৰণে দাবী জনাই আহিছে। এই দলংখনৰ কাৰণে প্ৰায়ত মহেন্দ্ৰমোহন চৌধুৰী দেৱ অসমৰ মুখ্য মন্ত্ৰী থকাৰ দিনৰ পৰা এই দলংখন নিৰ্ম্মানৰ কাৰণে প্ৰতিশ্ৰুতি দি আহিছে। এই দলংখনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে অনুমোদন জনাইছে। আজিও এই দলংখন নিৰ্ম্মানৰ কাম আৰম্ভ হোৱা নাই। সেই কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা দৃঢ় পদক্ষেপ লৈ দলংখন নিৰ্ম্মান কি কাৰণে হোৱা নাই তাৰ পদক্ষেপ লবলৈ অনুৰোধ জনাইছো. এই দলংখন হলে জামুগুৰি আৰু তেজপুৰৰ মাজত চল্লিশ কিঃমিঃ দূৰতৰ হ্ৰাস পাব।

এই দলংখন নিৰ্মানৰ ক্ষেত্ৰত ৰাজনৈতিক দলৰে এজন প্ৰাক্তন বিধায়কে এই দাবী বন্ধ কৰা আমাৰ দৃষ্টি গোচৰ হৈছে আৰু বহুত কেইখন ৰাজহুৱা সভাত আলোচনা হৈছে। ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংযোগ কৰিবৰ কাৰণে ৭৬ বছৰীয়া গড় কাপ্তানি বিভাগৰ পথ আছে। সেইটো উন্নতিকৰণ কৰি এই দলংখনৰ প্ৰাক্তন বিধায়কজনে সেই ৰাস্তাটো উন্নয়ন কৰিলে মছজিদ এটাৰ একাংশ ক্ষতি হব বুলি আপত্তি কৰাত এই কামটো পিচপৰি আছে। আমি জানো যে এই দলংৰ কিনাৰত ৫ কিঃমিঃ অঞ্চলত কোনো মুছলমান লোক নাই। মছজিদো আছলতে নাই। ভুল

* Speech not corrected

পথে পৰিচালিত কৰি ষড়যন্ত্ৰ কৰিছে। চাৰ্ভে কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ পৰা মানুহ আহিছিল আৰু ভূমি অধিগ্ৰহণ কৰি ঘৰ-দুৱাৰ ভাঙি এই পথটো লবলৈ কৈছিল। ৰাইজে গড় কাপ্তানি বিভাগৰ মানুহক ৰাজহুৱা ভাৱে খেদি পঠাইছে। এই পথৰ বাবে ভূমি অধিগ্ৰহণ কৰাৰ অনিশ্চয়তা আছে। গড়কাপ্তানি বিভাগে এটা খৰতকীয়া পদক্ষেপ লওক। আমাম চাৰ্ভে নিজে গৈ ভূমি অধিগ্ৰহণ কৰাৰ কথা আছিল। হঠাত চৰকাৰৰ ফালৰ পৰা ভুমি অধিগ্ৰহণ কৰি ইমান দিনে চলি থকা ফাকিটো সংশোধন কৰি নিষ্পত্তি কৰিবৰ কাৰণে মই আহ্বান জনাইছো।

লগতে ইয়াকো কওঁ যে কেইদিন মান আগতে ৰাইজে ৰাজহুৱা সভা আহ্বান কৰি লক্ষ্মীমপুৰ, ধেমাজী জিলাৰ বিধায়কেক আমন্ত্ৰণ কৰি দলং নিৰ্মানৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ লবলৈ এখন সভাৰ আয়োজন কৰিবলৈ লৈছে। তাৰ যোগেদি চৰকাৰৰ ফালৰ পৰা অৰুণাচলৰ লোক, লক্ষ্মীপুৰ, ধেমাজী, তেজপুৰ আৰু জামুগুৰিৰ মাজেৰে ৫১ কিঃমিঃ দূৰতৰ কমিব। তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ ফালৰ পৰা এই দলংখন নিৰ্মান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যোগা-যোগ কৰিব লাগে। ভূমি অধিগ্ৰহণ কৰাত নিজৰ স্বাৰ্থ আৰু মছজিদৰ নামত চলোৱা ভুৱা অপপ্ৰচাৰ দূৰ কৰাৰ ব্যৱস্থা লব বুলি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

* **শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সদনত মাননীয় সদস্য হাজৰিকাদেৱে যিটো প্ৰস্তাব উত্থাপন কৰিছে সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়।

যোৱা ৩১ বছৰে অৰুণাচলৰ ৰাইজে এই দাবী কৰি আহিছে। ১৯৮৯ চনতে চাৰ্ভে কৰাৰ পিচতো এনে ধৰণেৰে কাম কৰি আছে। ইয়াৰ বাবে ৰাষ্ট্ৰীয় ঘাই পথৰ অসুবিধা হৈছে। তেজপুৰৰ মাজৰ অংশটো কাটি দলঙৰ লগত সংলগ্ন কৰি দিব পাৰে। এজন প্ৰাক্তন বিধায়কে নিজৰ স্বাৰ্থৰ খাতিৰতে কেন্দ্ৰকো বিপথে পৰিচালিত কৰিছে এন, ই, চিয়ে খবৰ কৰি ইয়াৰ প্ৰাৰম্ভিক কাম সম্পূৰ্ণ কৰিছে। অথচ এজন ৰাজনৈতিক ব্যক্তিৰ ব্যক্তিগত পৰ্য্যায়লৈ লৈ গৈ সমস্যাৰ সৃষ্টি কৰিছে। এই গোটেই সমস্যাটো সমাধান কৰিবৰ কাৰণে আপোনাৰ জড়িয়তে মই চৰকাৰক অনুৰোধ জনাইছো। ইয়াৰ বাবে যিখিনি ফাণ্ড মুকলি কৰি দিছে সেই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লব। কাৰণ ইয়াৰ জৰিয়তে ৫১ কিঃমিঃ ৰাস্তা আমাৰ চমু হব। কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন হৈছে। তাৰ যোগেদি উন্নয়ন হব আনকি পেট্ৰলৰ খৰছো কমিব। ৰাস্তাৰ দৈৰ্ঘ্য ৫১ কিঃমিঃ কমি যাব। ভোমোৰাগুৰিৰ ৰাইজৰ বাবে। আমাৰ চৰকাৰে এই ক্ষেত্ৰত দৃঢ় ব্যৱস্থা লৈ দলং নিৰ্মান কৰি ৰাইজৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিব বুলি আশা কৰিলো।

* Speech not corrected

* শ্ৰীহিৰণ্য কোৰঁৰ (মন্ত্ৰী) ঃ মাননীয়া সদস্যা শ্ৰীহাজৰিকাদেৱে উত্থাপন কৰা বিষয়টোৰ নটিচখন মই নেপালো। এই সম্পৰ্কত অহা কালিলৈ সদনত এই বিষয়টোৰ এটা স্পষ্টীকৰণ ৰাখিম।

**Dy. Speaker** :- 2. I now call upon the Hon'ble Member Smti. Pranatee Phukan to raise her Zero Hour Motion Which was published in "Dainik Agradoot" dt. 3.4.2000 under the caption. "হিন্দুস্তান সাৰ নিগমৰ পৰা পৃথক কৰিবলৈ দাবী"

(Mover absent)

3. I now, call upon the Hon, Member, Shri Dilip Kumar Saikia to rasie his Zero Hour on the subject published in 'Dainik Asom' 'Agradoor' and 'Pratidin' dt. 18.3.2000 as under :"
Dainik Asom"dt. 18.3.2000 (মজদুৰ সংঘৰ "বিশ্বাস ঘাতকতা")
"Agradoot" dt. 18.3.2000 (এতিয়াও অসমীংসিত চাহ শ্ৰমিকৰ পূণ্যতম মঞ্জুৰী)
"Pratidin" dt. 18.3.2000 (১১ লাখ চাহ শ্ৰমিকক প্ৰতাৰনা)

**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয়া উপাধ্যক্ষ মহোদয়া, এটা গুৰুত্বপূৰ্ণ বিষয় অসমৰ বাতৰি কাকতবিলাকত প্ৰকাশ পাইছে। ১৮-৩-২০০০ চনৰ দৈনিক অসম বাতৰি কাকতত প্ৰকাশ পাইছে 'মজদুৰ সংঘৰ বিশ্বাস ঘাটকতা' অগ্ৰদূত কাকতত একে তাৰিখতে প্ৰকাশ পাইছে এতিয়াও অমীমাংসিত চাহ শ্ৰমিকৰ নুন্যতম মজুৰী আৰু সেই তাৰিখৰ "প্ৰতিদিন বাতৰি কাকতত প্ৰকাশ পাইছে ১১ লাখ চাহ শ্ৰমিকক প্ৰতাৰণা" সেয়েহে বিষয়টো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি অসমৰ ১১ লাখ চাহ শ্ৰমিকৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছো। ইতিমধ্যে এটা প্ৰশ্নৰ উত্তৰত এই সম্পৰ্কত কিছু আলোচনা হৈছিল। তথাপি আমি আশা ৰাখিছো যে অসম চৰকাৰে এই গোটেই বিষয়টো পৰীক্ষা কৰিবৰ বাবে এখন কমিটী গঠন কৰি দিছিল আৰু তাত লেবাৰ এন্দে এমপ্লেইমেণ্ট বিভাগৰ সচিবক অধ্যক্ষ হিচাবে লোৱা হৈছিল। এই সভাখন বিভিন্ন সময়ত বহিছিল আৰু বিভিন্ন সময়ত এই বিষয়টো আলোচনা হৈ আছে চৰকাৰ আৰু এবসপাটত কমিটীৰ মাজত। তাৰ লগে লগে চাহ শ্ৰমিকৰ সংঘ আৰু আটছাৰ মাজত যিখিনি দাবী চাহ শ্ৰমিকক দিবৰ কাৰণে দাবী কৰিছিল বিশেষকৈ ৪৯ টকা আৰু এই ৪৯ টকাৰ পৰিবৰ্তে চাহ শ্ৰমিক সংঘ আৰু মালিকগোষ্ঠীয়ে আলোচনা কৰি ৪৮.৫০ পইচা ধাৰ্য্য কৰিলে। আৰু ৪৮.৫০ পইচাৰ দ্বাৰা চাহ শ্ৰমিকসকল উপকৃত কৰিলে। আৰু ৪৮.৫০ পইচাৰ

* Speech not corrected

দ্বাৰা চাহ শ্ৰমিকসকল উপকৃত হ'ব ২০০২ চনৰ চেপ্তেম্বৰ মাহৰ ১ তাৰিখৰ পৰা। কথা হ'ল ১৯৯৯ চনৰ নবেম্বৰৰ পৰা ২০০১ চনৰ ৩০ এপ্ৰিল তাৰিখলৈ ৬ টকা হে বৃদ্ধি পাব। শ্ৰমিকসকলে সেই সময়ত ৩৭.৬০ পইচাকৈ পাব। চাহ শ্ৰমিক সংঘটো এটা অনুষ্ঠান আৰু আমাৰ মাননীয় সদস্য কেইবাজনো এই সংঘৰ সভাপতি, কোনোবাজন ইউনিট চেক্ৰেটৰি আৰু পাৰ্লিয়ামেণ্টৰ সাংসদো সভাপতি হৈ আছে। আমি আচৰিত হৈছো যে, আমাৰ মাননীয় সদস্যসকল থাকোতেও এই চাহ মজদুৰ সংঘ আৰু মালিক পক্ষৰ লগত যিখন চুক্তি স্বাক্ষৰিত হৈছিল আৰু চৰকাৰৰ এক্সপাৰ্ট কমিটী কৰি ৪৯ টকা মজুৰি দিবৰ বাবে কৈছিল। কিন্তু তেওঁলোকে মালিকগোষ্ঠীৰ লগত ৪৮.৫০ পইচা দিয়াৰ বাবে চুক্তি কৰিলে। ফলত আটছাই ৩১ তাৰিখে ইয়াৰ প্ৰতিবাদত কাৰ্য্যলয় ঘেৰাও কৰিছিল। আপোনালোকে মালিক গোষ্ঠীৰ কিয় ললে? ভাৰতবৰ্ষৰ কোনো শ্ৰমিক কৰ্ম্মীয়ে ইমান কম মজুৰি কোনো দিনে পোৱা নাই। আজি সামন্তবাদী প্ৰথাৰে চাহ মজদুৰি লৈ কাম কৰি থকা হৈছে। তাৰ উপৰিও এতিয়া প্ৰতি বছৰে প্ৰতিজন মজদুৰৰ পৰা ৫৫ টকা কৰি কাটি ৰখা হৈছে। চাহ সংঘটো নিয়াৰিকৈ চলাবৰ কাৰণে চাহ মজদুৰ সংঘৰ সদস্যসকলক গাড়ী দিয়া হয় আৰু ২০০০ হাজাৰ কৰি টকা অনা ৰিয়াম হিচাবে দিয়া হয়। তাৰ উপৰি টি, এ দ্ৰি, এ, গাড়ী পেট্ৰোল এই বিলাকো দিয়ে। এই বিলাক কাৰ টকা? এই বিলাক চাহ শ্ৰমিকৰ টকা। আমাৰ প্ৰায় ৮৬৫ খন চাহ বাগিছা আছে। তেওঁলোকে কৈছে চৰকাৰে আমাক শোষণ কৰিছে, চৰকাৰে আমাক ঠগিছে। কিন্তু প্ৰকৃততে কোনে ঠগিছে? তেওঁলোকক আগতে ৰাজনৈতিকভাৱে শোষণ কৰা হ'ল। ১৯৪৭ চনৰ পিচৰ পৰা অৰ্থনৈতিকভাবে শোষণ কৰা হ'ল। আমি কৰা নাই। চৰকাৰক দোষ দিব নোৱাৰে। কাক দোষ দিব?

(ভইচ ঃ আপুনি চৰকাৰক কৈছেনে আমাক কৈছে)

* **শ্ৰীচিলভিউচ কন্দপান ঃ** আমি উত্তৰ দিব পাৰো আমাক সময় দিব লাগিব।

Madam, the Hon'ble Members is accusing us.

— সদনত গন্দগোল —

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** এক্সপাৰ্ট কমিটীয়ে ভুল কৰিছে। আৰু মজুৰি ইনক্ৰিজ কৰিব লাগে। উপাধ্যক্ষ মহোদয়া আজি চাহ শ্ৰমিকক শোষণ কৰা হৈছে। চাহ মজদুৰ সংঘৰ শোষণ কৰাৰ ব্যৱস্থা কৰিছে। আপোনাৰ জৰিয়তে অসম চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰিছো। Why only Rs. 49. এবসপাৰ্ট কমিটীয়ে আৰু বেছি কৰক ১০০ টকা কৰক আমাৰ আপত্তি নাই। আজি এজন বনুৱাই ৬০ টকাৰ তলত কাম নকৰে। প্ৰতিদিনৰ

* Speech not corrected

মজুৰী ৬০ টকাৰ পৰা ৮০ টকালৈ হৈছে। আমি মালিক পক্ষৰ লগত থিয় কিয় দিছো?

* শ্ৰীচিলভিউচ কন্দপান ঃ মজদূৰ সংঘৰ মানুহে ইয়াত নাই। তেওঁলোক ইয়াত থকাহলে উত্তৰ দিব পাৰিলেহেতেন।

— (সদনত গন্দগোল) —

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ আমি সদনত ভুল পথে পৰিচালিত কৰা নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেঃ Madam Hon'ble Member Can make any remark aginst a person or person who can not defend himself or themselfs in the House.

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ আটছাই কাৰ্য্যলয় ঘেৰাও কৰিছেনে নাই? মজদুৰ ইউনিয়ন আৰু চাহ গোষ্ঠীৰ মাজত চুক্তি হোৱাত ৪৮.৫০ পইচা মজুৰি কৰিছে সেই চুক্তি মানি লোৱা হৈছেনে নাই? চৰকাৰে কৈছিল ৪৯ টকা দিব লাগে। উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি সেই চুক্তি বাতিল কৰি পুনৰ বিবেচনা কৰাৰ কাৰণে পুনৰ পৰীক্ষা কৰি বিবেচনা কৰাৰ কাৰণে অনুৰোধ জনাইছো। দিবপাক্ষিক চুক্তিয়ে অসমৰ ১১ লাখ চাব শ্ৰমিকক প্ৰতাৰণা কৰিছে। ৰাজনৈতিক শোষণ, অৰ্থৈনিতকভাবে শোষণ আৰু সামন্তবাদী শোষণ বন্ধ কৰাৰ কাৰণে মই অনুৰোধ জনাইছো।

উপাধ্যক্ষা মহোদয়া ঃ এতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীফণী ভূষণ চৌধুৰী (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, মাননীয় বিধায়ক শ্ৰীদিলীপ শইকীয়াই যিকেইখন বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ কাকতত দিছে সেইবোৰ বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

বাতৰি কাকত কেইকনত প্ৰকাশ পোৱা মতে অলপতে চাহ বাগিছা কৰ্তৃপক্ষ আৰু চাহ শ্ৰমিকৰ গঠন অসম চাহ মজদুৰ সংঘৰ প্ৰতিনিধিৰ মাজত সম্পাদিত হোৱা দ্বিপক্ষিক চুক্তিৰ মাধ্যমত নিৰ্দ্ধাৰিত কৰা চাহ শ্ৰমিকৰ দৈনিক মজুৰী সন্দৰ্ভত আপত্তি দৰ্শাই আন্দোলনৰ পথ লবলৈ সংকল্প হোৱাতো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বহুদিনৰ পৰাই পৰম্পৰাগত ভাৱে চাহ শ্ৰমিক সকলৰ দৈনিক মজুৰী চাহ বাগিছা কৰ্ত্তপক্ষ আৰু চাহ শ্ৰমিক সকলক প্ৰতিনিধিত্ব কৰা অসম চাহ মজুৰিৰ দিপাক্ষিক চুক্তি কৰি নিৰ্দ্ধাৰিণ কৰি দিছে।

* Speech not corrected

১৯৯০ আৰু ১৯৯৫ চনত চৰকাৰে চাহ শ্ৰমিক সকলৰ বাবে নুন্যতম মজুৰী নিৰ্দ্ধাৰণ কৰি অধিসূচনা জাৰি কৰিছিল। কিন্তু অধি উল্লেখিত নুন্যতম মজুৰীৰ নিৰিখ সমূহ দ্বিপাক্ষিক চুক্তিৰ মাধ্যমত নিৰ্দ্ধাৰণ কৰা নিৰিখ হৈ আছিল।

প্ৰকৃতাৰ্থত যিকোনো সূচীভূক্ত শ্ৰমিকৰ নুন্যতম মজুৰী ১৯৪৮ চনৰ নুন্যতম মজুৰী আইনৰ ৫ নং ধাৰা অনুসৰি নিৰ্দ্ধাৰণ কৰিব লাগে। উক্ত ধাৰাৰ উপধাৰা মকে শ্ৰমিকৰ মজুৰী নিদ্ধাৰণ কৰিবলৈ এখন কমিটি গঠন কৰিব লাগে আৰু সেই কমিটিৰ প্ৰতিবেদনৰ ভিত্তিত পৰীক্ষা নিৰিক্ষা কৰি চৰকাৰে মজুৰীৰ নিৰিখ নিৰ্দ্ধাৰণ কৰিব পাৰে। আনহাতে উক্ত আইনক উপধাৰামতে চৰকাৰে অধিসূচনা জাৰি কৰি মজুৰীহাৰ নিৰ্দ্ধাৰণ কৰিব পাৰে। তদুপৰি চৰকাৰে গঠন কৰা নুন্যতম মজুৰী উপদেষ্টা পৰামৰ্শ লব লাগে।

চাহ শ্ৰমিকৰ মজুৰী নিৰ্দ্ধাৰণ কৰা শেঙতীয়া অধিসূচনাত উল্লেখিত মজুৰী নিৰিখ উক্ত আইনৰ পাচ নং ধাৰা মতে নকৰা বুলি কেইটামান শ্ৰমিক সংগঠনে গুৱাহাটী উচ্চন্যায়লয়ত এখন ৰিট আবেদন দাখিল কৰিছিল। আৰু সেই ৰিট আবেদন মৰ্ম্মে উচ্চ ন্যায়ালয়ে ১৯৯৮ চনৰ ১৭ আগষ্টৰ এক নিৰ্দ্দেশ নামাযোগে শ্ৰমিকৰ নুন্যতম মজুৰী উক্ত আইনৰ ধাৰা মতেহে নিৰ্দ্ধাৰণ কৰিব লাগে বুলি স্পষ্ট কৰি দিছে।

সেয়েহে চৰকাৰে বৰ্তমান চাহ শ্ৰমিকৰ নুন্যতম মজুৰি নিৰ্দ্ধাৰণ কৰিবলৈ সংশ্লিষ্ট ধাৰা মতে এখন কমিটি গঠন কৰি দিছে আৰু সেই কমিটিখনে বিষয়টো পৰীক্ষা নিৰিক্ষা কৰি এখন প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদনখনত কমিটিয়ে চাহ শ্ৰমিকৰ মজুৰীৰ নিৰিখ ৪৯.০০ টকা হব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। এই কমিটিৰ পৰামৰ্শ আইন অনুসৰি নুন্যতম মজুৰী উপদেষ্টা বোৰ্ডৰ সভাত আলোচনাৰ বাবে উপস্থাপন কৰে। বোৰ্ডৰ সভাত চাহ মালিক সংগঠন আৰু শ্ৰমিক সংগঠন এটাই মজুৰীৰ নিৰিখ সংক্ৰান্তত আপত্তি দৰ্শায়।

আনহাতে ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ দুই নং ধাৰা অনুসৰি চাহ শ্ৰমিক সকলে সপ্তাহত এদিন মজুৰীসহ চুটী পোৱাৰ ব্যৱস্থা আছে। আৰু ১৯৫২ চনৰ অসম নুন্যতম মজুৰী নিয়মাৱলীৰ ২৩ নং দফা মতে এই চুটীৰ দিনটোত মজুৰী পাব লাগে। কিন্তু চাহ শ্ৰমিক সকলে চুটীৰ দিনবোৰ মজুৰি পোৱা নাই বুলি অভিযোগ কৰি অহাটো চৰকাৰৰ স্পষ্ট গোচৰ হৈছে আৰু সেয়েহে চৰকাৰে অধিক সূচনা যোগে আইনক সুবিধা থকা বিষয়টো স্পষ্ট কৰি দিছে যে চাহ শ্ৰমিক সকলে চুটীৰ দিশটোত মজুৰী পাব লাগে।

কিন্তু চাহ মালিক সন্থা আৰু চাহ শ্ৰমিক সংগঠনৰ মাজত হোৱা দ্বিপাক্ষিক

চুক্তি অনুসৰি সাপ্তাহিক চুটীৰ দিনত হাজিৰা ছয় দিনৰ হাজিৰাৰ ভিতৰতে সোমাই আছে বুলি দাবী কৰি আহিছে।

প্ৰকাশিত বাতৰিত উল্লেখ কৰা মৰ্ম্মে চৰকাৰে বৰ্তমানলৈ চাহ শ্ৰমিকৰ নুন্যতম মজুৰী নিৰ্দ্ধাৰণৰ কোনো প্ৰস্তাব প্ৰকাশ কৰা নাই। মাথোন বিশেষ কমিটিৰ প্ৰতিবেদনত পৰামৰ্শ দিয়া ৪৯.০০ টকা মজুৰীৰ বিষয়াটোহে উপদেষ্টা বোৰ্ডত আলোচনা বাবে উপস্থাপন কৰিছিল।

**Deputy Speaker** :- Item No 2. Hon'ble Member Adbul Hamid will call the attention of the Hon'ble Chief Minister, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Agrodoot" dated 16th February, 2000 under the caption. "আচনিৰ সামন্যতম জ্ঞানো নাই মুখ্যমন্ত্ৰীৰ হিচাবে দিব নোৱাৰিলে মহন্তই কেন্দ্ৰৰ ১২০ কৌটি হেৰুৱালেষ" I now call upon Hon'ble member Abdul Hamid to spoeak.

**শ্বেখ আব্দুল হামিদ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, অসম বিধান সভাৰ কাৰ্য্যৱলীৰ ৫৪ নং নিয়মৰ অধীনত মই এটা বিষয়াৰ মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো। এই বিষয়টো যোৱা ফেব্ৰুৱাৰী মাহৰ 'দৈনিক আগ্ৰদূত' কাকতত প্ৰকাশিত হৈছে। তিনি বছৰত ৪০ কৌটি টকাকৈ মুঠ ১২০ কৌটি টকা হিচাব দিব নোৱাৰা কাৰণে ঘুৰাই দিবলগীয়া হৈছে খৰছ নকৰাকৈ।

উপাধ্যক্ষা মহোদয়া আজি আমাৰ ৰাজ্যত টকাৰ অভাব আৰু এই অভাবৰ কাৰণে অসমৰ উন্নয়নত স্থবিৰতা আহিছে। অথচ এই সময়ত কেন্দ্ৰৰ পৰা যিমান এই টকা সমূহ আনিব পৰা নাই। জলসিঞ্চন বিভাগে ডি, আই, চি, পিৰ অধীনত পাব লগা টকা প্ৰতি বছৰে খৰচৰ প্ৰতিবেদনত দাখিল কৰিব নোৱাৰা কাৰণে এক চকাও খৰচ কৰিব পৰা নাই আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰাও আনিব পৰা নাই। এই অভিযোগ উৎথাপন কৰিছে অসমৰ পৰা কেন্দ্ৰত থকা ৰাজ্যমন্ত্ৰী শ্ৰীমতী বিজয়া চক্ৰৱৰ্ত্তীয়ে তেখেতৰ নিজৰ বিভাগতে তেখেতে কৈছে অকল জলসিঞ্চন বিভাহে বাৰ কৌটি টকাৰ হিচাব দিব পৰা নাই। যাৰ কাৰনে কেন্দ্ৰৰ পৰা পাব লগা টকাৰ পৰা বঞ্চিত হৈছে। গোটেই অসমত চৰকাৰী বিষয়া সকলৰ অৱহেলা আৰু অমোনযোগীতাৰ কাৰনে কেন্দ্ৰৰ পৰা বহু কৌটি টকাৰ হেৰুৱাব লগা হৈছে। উদাহৰণ স্বৰূপে এম, এল, এ ফান্দৰ যিটো টকা চৰকাৰী বিষয়া সকলৰ অৱহেলাৰ কাৰনে উপযুক্ত সময়ত খৰচ কৰিব পৰা হোৱা নাই। খৰচ নকৰাটো বিষয়া সকলৰ এটা

কালচাৰ হৈ পৰিছে, যাৰ কাৰনে অসমৰ উন্নতিৰ বেহত হৈছে। সেইকাৰনে এই বিষয়টো মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**Deputy Speaker** :- Hon'ble Chief Minister.

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, ৫৪ নং ৰ অধীনত মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়য়ে উৎথাপন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিছে, এইবিলাক হ'ল কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। এই আঁচনি বিলাকৰ শতকৰা ৭০, ৬০, ৩০ ভাগ ষ্টেট চেয়াৰ দিব লাগে। বহুত ক্ষেত্ৰত ষ্টেট চেয়াৰ দিব নোৱাৰা হয় কাৰন আচনি বিলাক ৩১ মাৰ্চত আহে। আমি কেন্দ্ৰীয় চৰকাৰক বহুত আগতে প্ৰস্তাৱ দিলেও আচনি বিলাক ৩১ মাৰ্চতহে মুকলি কৰি দিয়ে। কিন্তু এই সময়ত আমি ষ্ট্ৰেট চেয়াৰ এডজাষ্ট কৰিব নোৱাৰা হওঁ। কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সমূহ ৰাজ্য চৰকাৰে মঞ্জুৰী কৰিবলৈ হলে ষ্ট্ৰেট চেয়াৰ তাত লগাব লাগিব। গতিকে বাতৰি যিটো বাতৰি ওলাইছে সেইটো সঁচা নহয়।

(ইয়াৰ পিছত বিবৃতি পঢ়ে)

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্যমন্ত্ৰী) ঃ ক্ষিপ্ৰ জলসিঞ্চন আঁচনিখন (AIBP) কেন্দ্ৰীয় চৰকাৰৰ ঋণৰ দ্বাৰা পৰিচালিত আঁচনি। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কিছুমান আঁচনি ক্ষিপ্ৰ ৰূপায়ণৰ বাবে দাখিল কৰে। কেন্দ্ৰীয় চৰকাৰে সেই আঁচনি সমূহ অনুমোদন কৰিলেহে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিব পাৰে।

১৯৯৬-৯৭ চনৰ পৰা এই আঁচনিখন অসমত প্ৰচলন হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী মতে ১৯৯৮-৯৯ চনলৈকে ৰাজ্য চৰকাৰে এই আঁচনিৰ অধীনত এভাগ ধন নিজা ববীয়াকৈ খৰচ কৰিলে কেন্দ্ৰীয় চৰকাৰে দুভাগ ধন মোকলাই দিছিল। ১৯৯৯-২০০০ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে অসমক বিশেষ শ্ৰেণীৰ ৰাজ্য হিচাবে এই নিয়মৰ সংশোধন ঘটাই ৰাজ্য চৰকাৰে খৰচ কৰিবলগীয়া এভাগ ধনৰ বিপৰীতে তিনিভাগ ধন মোকলাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

আঁচনিখনৰ আৰম্ভনীৰে পৰা বৰ্ত্তমানলৈকে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া আৰু ৰাজ্য চৰকাৰে খৰচ কৰা ধনৰ পৰিমাণ এনে ধৰণৰ ঃ—

| বছৰ | কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া ধন | ৰাজ্য চৰকাৰে মোকলাই দিয়াধন |
|---|---|---|
| ১৯৯৬-৯৭ | ৫.২৩ কৌটি টকা | ০.৫০ কৌটি টকা |
| ১৯৯৭-৯৮ | ১২.৪০ কৌটি টকা | ১১.৭১ কৌটি টকা |
| ১৯৯৮-৯৯ | ১৩.৪০ কৌটি টকা | ১৭.৭৫ কৌটি টকা |

| | | |
|---|---|---|
| ১৯৯৯-২০০০ | ১১.৫০ কৌটি টকা | ১২.৩৮ কৌটি টকা |
| মুঠ | ৪৩.০৮ কৌটি টকা | ৪২.৩৪ কৌটি টকা |

উল্লেখযোগ্য যে সেই অনুপাতে ৰাজ্য চৰকাৰৰ অংশৰ ধনো খৰচ হয়।

কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় অৰ্থ প্ৰতি বছৰেই মোকলাই দিছে। অকল কেন্দ্ৰীয় ঋণৰ অনুমোদন পালেই নহব, ৰাজ্যৰ নিজৰ অংশৰ ধনৰো যোগান দিব লাগিব।

কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় ঋণ সাহাৰ্য্য আঁচনিৰ অধীনত ইয়াৰে ৭৫০ লাখ টকা মাৰ্চ মাহৰ ১০ তাৰিখেহে মোকলাই দিছে। বান নিয়ন্ত্ৰণৰ কাৰণে ১৯৯৯-২০০০ চনৰ বছৰটোত ১৫০০ লাখ টকা মোকলাই দিছে। বিত্ত বিভাগে ইয়াৰে ৩০০ লাখ টকা ইতিমধ্যে মোকলাই দিছে। বাকী ১২০০ লাখ টকা এই বছৰ ২০০০-২০০১ চনত মোকলাই দিয়াৰ ব্যৱস্থা কৰা হব।

কাছাৰ জিলাৰ হাৰাং জলসিঞ্চন আঁচনি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ অধীনত। মাজুলি গৰা খহনীয়া কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ জলসিঞ্চন উন্নয়ন মন্ত্ৰণালয়ৰ পৰা কোনো সুকীয়া আঁচনিৰ বাবে ২০.০০ লাখ টকা বান নিয়ন্ত্ৰন বিভাগে পোৱা নাই।

অৱশ্যে মাজুলী গৰা প্ৰতিৰোধৰ বাবে কেন্দ্ৰীয় ঋণ সাহাৰ্য্য বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত, ১৯৯৯-২০০০ চনত এটা আৰু Central pool of resources বাৰ্ষিক পৰিকল্পনা, ১৯৯৯-২০০০ চনত দুটা আঁচনি লোৱা হৈছে। এই আঁচনি তিনিখনৰ কাৰণে ১৯৯৯-২০০০ চনত আৱণ্টিত ধনৰ বিবৰণ এনে ধৰণৰ :-

| <u>কেন্দ্ৰীয় ঋণ সাহাৰ্য্য আঁচনি</u> | <u>মোকলাই দিয়া ধন</u> |
|---|---|
| 1. Strengthening of check bundh at Dakhinpat (Estt. amount of Rs. 179.00 lakh | ২৪.০০ লাখ টকা (চৌবিশ লাখ) |
| 1. Protection of kaniajan from erosion of river Brahamputra. / (Estt. amount of Rs. 196.00 lakh) | ৪.০০ লাখ টকা (চাৰি লাখ টকা) |
| 2. Construction of dowel bundh along PWD Road from Kamalabari to B/dyke from Dakhinpat to Kamamabari Ph.1 (Estt. amount of Rs.310.00 lakh) | ৪.০০ লাখ টকা (চাৰি লাখ) |

**Deputy Speaker** : Item No. 3.

Now, Shri Sukur Ali to draw the attention of the Minister, Irrigation by raising the matter under Rule 301 of the Rules of procefure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Asomiya Pratidin" dated 27th Februaru, 200 relating to. "চৰকাৰৰ হেমাহিত জলসিঞ্চন বিভাগৰ শোচনীয় অৱস্থা সাত বছৰে কাম নাই, ২৩ হাজাৰ কৰ্ম্মচাবীৰ ধনৰ অভাৱত পৰিত্যক্ত ১৩৩৬ খন আচনি।"

I all upon Hon'ble Member Shri Sukur Ali.

* **শ্ৰীশুকুৰ আলী** ঃ— অসম বিধান সভাৰ প্ৰক্ৰিয়া কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নিয়মৰ অধীনত ২০০০ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত "চৰকাৰৰ হেমাহিত জলসিঞ্চন বিভাগৰ শোচনীয় অৱস্থা সাত বছৰে কাম নাই ২৩ হাজাৰ কৰ্ম্মচাৰীৰ ধনৰ অভাৱত পৰিত্যক্ত ১৩৩৬ খন আঁচনি" শীৰ্ষক বাতৰিটোৰ পতি জলসিঞ্চন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। মহোদয়া, অসম এখন কৃষি প্ৰধান ৰাজ্য। এই ৰাজ্যখনৰ ৭০ শতাংশ মানুহ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে কৃষিৰ লগত জড়িত। অসমৰ অৰ্থনীতি কৃষি ভিত্তিক অৰ্থনীতি। কৃষিৰ ওপৰত নিৰ্ভৰ কৰা ৰাজ্যখনৰ কৃষিৰ উন্নতি আৰু কৃষকৰ সমস্যা সমাধান নকৰাকৈ অসমৰ উন্নতি আশা কৰিব নোৱাৰি। কৃষিৰ ক্ষেত্ৰত উন্নতি কৰিবলৈ গলে জলসিঞ্চন প্ৰশ্ন আহি যায়। কৃষি বিভাগৰ লগত জলসিঞ্চন বিভাগৰ ওতপ্ৰোত্ত সম্পৰ্ক। অসমৰ জলসিঞ্চন বিভাগৰ যি শোচনীয় অৱস্থা এই অৱস্থাত কৃষি বিভাগক কোনো সহায় কৰিব পৰা নাই। এই বিভাগত মজলীয়া প্ৰকল্প আৰু এক হাজাৰ ৩৭২ টা ক্ষুদ্ৰ আঁচনি হাতত লৈছিল ৭০ দশকৰ আৰম্ভণীত। এই আঁচনি সমূহ আৰম্ভ কৰিব পৰা নাই। লগে লগে ২০০৫ চনৰ ভিতৰত ২৭ লাখ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থ কৰিব। দুই হাজাৰ চনত মুঠ ছয় লাখ হেক্টৰ মাটি সামৰি লৈছে। যিবিলাক আঁচনি কাৰ্য্যক্ষম হৈছিল বা পানীযোগানৰ ব্যৱস্থা আছিল সেই বিলাক আঁচনি মেৰামতিৰ অভাৱত ধনৰ অভাৱত বন্ধ হব লগা হৈছে। আজি কেইবা বছৰ ধৰি ৮ হাজাৰ ৫শ মাষ্টাৰৰোল কৰ্ম্মচাৰীকে ধৰি ২৩ হাজাৰ কৰ্ম্মচাৰীৰ কাম নাই। জলসিঞ্চন বিভাগক যিধন দিয়ে সেই ধনেৰে দৰ্ম্মহা কেইটা দিব নোৱাৰে। আঁচনিৰ কাম কৰিব নোৱাৰে। যাৰ ফলত এই বৃহৎ কৰ্ম্মচাৰী সকলক নিস্ক্ৰিয় হৈ বহি আছে। কাম নাই। অফিচৰ সন্মুখত দুৱৰি বন গজিছে। এই বিভাগটোৰ এনে অৱস্থা হৈছে।

---

* Speech not corrected

মাননীয় উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে বিভাগীয় মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো, যিহেতু আমাৰ অৰ্থনীতি প্ৰধানকৈ কৃষিৰ ওপৰতেই নিৰ্ভৰশীল তেনে ক্ষেত্ৰত কৃষিৰ ওপৰত যেনেকৈ গুৰুত্ব দিয়াটো উচিত থিক তেনেদৰে জলসিঞ্চন বিভাগৰ ওপৰতো বিশেষ গুৰুত্ব দিয়াটো উচিত। আমাৰ এই বৃহৎ সংখ্যক নিষ্কৰ্মা হৈ থকা কৰ্ম্মচাৰী সকলক কৰ্ম্ম দিব লাগে, তেওঁলোকক কাম দিব লাগে আৰু তেওঁলোকক কাম কৰিবলৈ সুবিধা দি বিভাগটোক অধিক শক্তিশালী কৰা উচিত। আন এটা জৰুৰী কথা মই দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো সেইটো হ'ল কেন্দ্ৰীয় চৰকাৰে বাজেটত শতকৰা ২০ শতাংশ জলসিঞ্চন বিভাগত খৰচ কৰাৰ কাৰণে ৰাজ্য চৰকাৰক নিৰ্দ্দেশ দিছিল, আজি সেই নিৰ্দ্দেশ মনা হোৱা নাই বা পালন কৰা হোৱা নাই। গতিকেই যিহেতু ৰাজ্যখন কৃষিৰ ওপৰতেই নিৰ্ভৰশীল তেনে ক্ষেত্ৰত জলসিঞ্চন বিভাগটো অধিক শক্তিশালী কৰিবৰ কাৰণে আমাৰ যিবিলাক আঁচনি আৰম্ভ কৰিব বিচৰা হৈছে বা বহুত ঠাইত বন্ধ হৈ আছে সেই বন্ধ হৈ থকা আঁচনি সমূহৰ কামবোৰ ততকালিন পুনৰ আৰম্ভ কৰিব পৰা যায় তাৰ কাৰণে বিহিত ব্যৱস্থা লবলৈ আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)** ঃ— মাননীয় অধ্যক্ষ মহোদযা, অসম বিধান সভাৰ প্ৰকীয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নিয়মৰ অধীনত ২০০০ চনৰ ২৭ ফেব্ৰুয়াৰী তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'চাকাৰৰ হেমাহিত জলসিঞ্চন বিভাগৰ শোচনীয় অৱস্থাৰ' সাত বছৰে কাম নাই ২৩ হাজাৰ কৰ্ম্মচাৰীৰ ধনৰ অভাৱত পৰিতক্ত্য ১৩৩৬ খন আঁচনি শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে আৰু এই বিষয়টো চৰকাৰৰ অৱগত।

## <u>অসমত জলসিঞ্চনৰ অগ্ৰগতি</u>

স্থাপন হোৱাৰ পিচত ৰাজ্যত ব্যাপক ভাৱে জলসিঞ্চন আঁচনিৰ কাম হাতত লোৱা হয়। ষষ্ঠ আৰু সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত ৰাজ্যিক জলসিঞ্চন বিভাগে ১৩২১ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি আৰু ১০ টা বৃহৎ আঁচনিৰ কাম সম্পূৰ্ণ কৰে আৰু পৰ্য্যায়ক্ৰমে হাতত লোৱা ১০ টা বৃহৎ/মজলীয়া প্ৰকল্প আৰু ১৩২৭ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম বৰ্তমানলৈকে চলি আছে ইয়াৰ উপৰিও অসম ক্ষুদ্ৰ জলসিঞ্চন ধন লাগে। বেংকৰ ঋণৰ সহায়ত ১৯৯৩ চনলৈকে ৪৯৭৩৫ টা ক্ষুদ্ৰ নলীনাদ আঁচনি সম্পূৰ্ণ কৰে।

---

* Speech not corrected

অষ্টম পৰিকল্পনা (১৯৯২-৯৭) কালত পৰিকল্পনা শিতানত আৱশ্যকীয় পুজিৰ অভাৱত এই অসম্পূৰ্ণ আঁচনিৰ কামবোৰত বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নগল)। নৱম পৰিকল্পনাৰ প্ৰথম তিনিটা বছৰত ১৯৯৭-২০০০ জলসিঞ্চন বিভাগলৈ পৰিকল্পনা শিতানত অৱটন প্ৰয়োজনৰ তুলনাত অতি কমহোৱা ()আদায় দিয়াৰ পিচত আঁচনিৰ কামৰ বাবে অতি ক্ষুদ্ৰ অংশ অথবা মুঠেই ধন নাথাকে। মাত্ৰ কেন্দ্ৰীয় সাহাৰ্য্যৰ জৰীয়তে লোৱা A.I.B.P, Non lapsable Central Pool আৰু বিশ্ববেংকৰ ঋণৰ সহায় লোৱা ARIASP ৰ অধীনত নিৰ্দিষ্ট কিছুমান আঁচনিৰ কামতহে অগ্ৰগতি লাভ কৰা হৈছে।

উল্লেখ কৰিব পাৰি যে কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি ৰাজ্যৰ মুঠ পৰিকল্পনা ধনৰ ২০ শতাংশ জলসিঞ্চনৰ বাবে আৱটন দিব লাগে, কিন্তু ইয়াৰ বিপৰীতে সপ্তম পৰিকল্পনাত ১৩.৭৪ শতাংশ আৰু তাৰ পিচত ক্ৰমান্বয়ে হ্ৰাস পাই বৰ্তমানে ৭.০৯ (১৯৯৯-২০০০চন) শতাংশ হৈছে ।

অসমৰ মুঠ জলসিঞ্চন কৰিব পৰা ২৭ লাখ হেক্টৰ মাটিৰ ভিতৰত বৰ্ত্তমানলৈকে জলসিঞ্চন বিভাগে জলসিঞ্চনৰ উপযোগী কৰি তোলা মাটিৰ পৰিমান তলত দিয়া হল ঃ-

ক) <u>বৃহৎ মজলীয়া প্ৰকল্পৰ যোগেদি</u>

| | |
|---|---|
| ১। ১০ টা সম্পূৰ্ণ হোৱা প্ৰকল্প পৰা | ০.৮৯ লাখ হেঃ |
| ২। ১০ টা অসম্পূৰ্ণ হোৱা প্ৰকল্প পৰা | ১.০৩ লাখ হেঃ |

খ। <u>ক্ষুদ্ৰ আঁচনিৰ যোগেদি</u>

| | |
|---|---|
| ১। ১৩২১ টা সম্পূৰ্ণ হোৱা আঁচনিৰ পৰা | ২.৫৭ লাখ হেঃ |
| ২। ১৩২৭ টা অসম্পূৰ্ণ হোৱা আঁচনিৰ পৰা | ০.৪৩ লাখ হেঃ। |
| মুঠ | ৬.৪১ লাখ হেঃ |

এতেকে এতিয়াও প্ৰায় ২০.৫০ লাখ হেক্টৰ মাটিত সুনিষ্টিত পানী যোগানৰ ব্যৱস্থা কৰিবলৈ বাকী আছে।

সপ্তম পৰিকল্পনাৰ কাল ছোৱালৈ জলসিঞ্চন বিভাগলৈ ধনৰ আৱণ্টন সন্তোষজনক হোৱা বাবে জলসিঞ্চনৰ প্ৰগতি আশানুৰূপ হৈছিল আৰু বিভাগত থকা বৃহৎ কৰ্ম্মচাৰীখিনিৰ স্থান হৈছিল। কিন্তু অষ্টম পৰিকল্পনাৰ পৰা জলসিঞ্চন শিতানত আৱণ্টন কমি অহাৰ লগে লগে জলসিঞ্চনৰ প্ৰগতিৰ হাৰ কমি আহিল আৰু বিভাগীয় যন্ত্ৰপাতি আৰু কৰ্ম্মচাৰী সমূহ সম্পূৰ্ণভাবে সদ ব্যৱহাৰ কৰিব পৰা নাই। জলসিঞ্চন বিভাগত বাৰ্ত্তমানে থকা কাৰিকৰী বিষয়া কৰ্মচাৰী আৰু যন্ত্ৰপাতি আদি সম্পৰ্ণৰূপে ব্যৱহাৰ

কৰিলে আঁচনিৰ প্ৰকৃত কামত বছৰি নূন্যতম ১০০ কৌটি টকাৰ (দৰমহা বাদে) কাম কৰিব পৰা যায়। কিন্তু জলসিঞ্চন লৈ বৰ্তমানৰ হাৰত ধনৰ আৱণ্টন চলি থাকিলে বাকী থকা প্ৰায় ২০.৫০ লাখ হেক্টৰ মাটত জলসিঞ্চন ব্যৱস্থা অহা শতিকাতো সম্পূৰ্ণ হৈ নুঠিব।

বৰ্তমান বিভাগে নিম্নলিখিত পূজি সমূহৰ কৰিবলৈ যৎপৰোনেস্তি চেষ্টা কৰি আছে ঃ

(১) Accberated Innigation Benefite Programme (AIBP) ঃ— ১৯৯৬-৯৭ চনৰ পৰা কেন্দ্ৰীয় সাহাৰ্য্যৰ এই কাৰ্য্যসূচীৰ অধীনত অসম্পূৰ্ণ বৃহৎ মজলীয়া জলসিঞ্চন আঁচনিৰ কাম হাতত লোৱা হয়। ইয়াত বৰ্তমান কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে ৩ঃ১ অনুপাতে পূজিৰ যোগান ধৰে।

এই কাৰ্য্যসূচীত ১৯৯৬-৯৭, ৯৭-৯৮ আৰু ৯৮-৯৯ চনত কেন্দ্ৰীয় সাহাৰ্য্য ক্ৰমে ৫.২৩ কৌটি, ১২.৪০ কৌটি, ১৩.৯৫ কৌটি পোৱা গৈছিল আৰু ক্ৰমে ১৭৭০ হেক্টৰ, ৪১৯৬ হেঃ আৰু ৪৭২৫ হেক্টৰ মাটি পানী যোগানৰ উপযোগী কৰি তোলা হৈছিল। ১৯৯৯-২০০০ চনত ১১.৫০ কৌটি টকা কেন্দ্ৰীয় সাহাৰ্য্য পোৱা গৈছে আৰু ইয়াৰে আঁচনি সমূহৰ কাম চলি আছে। এই আঁচনিৰ অধীনত বৰ্তমানে ৯ খন আঁচনিৰ কাম চলি আছে।

এ, আৰ, আই, এ, এচ পি (ARIASP)

জলসিঞ্চন বিভাগে বিশ্ববেংকৰ ঋণৰ সাহাৰ্য্যত ২২২ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি পুনৰ সংস্থাপনৰ কাম ১৯৯৭ চনৰ পৰা হাতত লৈছে। এই কাম সমূহ ২০০০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত শেষ হব বুলি আশা কৰা হৈছে। কাম সম্পূৰ্ণ হোৱালৈকে মুঠ ১১.০০ কৌটি থকা খৰচ হব আৰু ইয়াৰ দ্বাৰা ৮৬০০ হেক্টৰ মাটিত জলসিঞ্চন ব্যৱস্থা সুনিশ্চিত কৰিব পৰা হব।

২. Non Capsable Centural pool of Resonrce.

(নন্ লেনচেবন চেণ্ট্ৰেল পুল সৰ ৰিচ ৰ্চ)

বাতিল নোহোৱা কেন্দ্ৰীয় ধন আজিৰ অধীনত ৮৬ টা চলিত জলসিঞ্চন আঁচনি সম্পূৰ্ণ কৰিবলৈ প্ৰথম পৰ্য্যায়ত ১১.২১ কৌটি টকা পোৱা হৈছে। এই আঁচনি সমূহ সম্পূৰ্ণ হলে ১২৭৪৫ হেক্টৰ মাটিত পানী যোগান ধৰিব পৰা হব। বৰ্তমান আঁচনি সমূহৰ কাম পূৰ্ণ গতিত চলি আছে আৰু অতি শীঘ্ৰে সম্পূৰ্ণ হোৱাৰ আশা আছে। দ্বিতীয় পৰ্য্যায়ত ৬৫ টা কৰিবলৈ বাতিল নোহোৱা কেন্দ্ৰীয় ধন পূজিলৈ টকা ২০.৮৫ কৌটি অনুমোদন আশা কৰাৰ পোৱাৰ বিপৰীতে এতিয়ালৈকে ৫.০০ কৌটি টকাহে আৱণ্টন পোৱা হৈছে। বাকী থকা ধনৰ আৱণ্টন পালে এই কাম সমূহ অনতি পলমে আৰম্ভ কৰিব পৰা শেষ হলে অতিৰিক্ত ১৪.৭০০০ হেক্টৰ মাটিৰ পানী যোগান ধৰিব পৰা হল।

৩। নাবার্ড

কৃষি আৰু গ্ৰামীণ উন্নতি কৰণৰ কাৰণে ৰাষ্ট্ৰীয় বেংকে ঋণ দি জলসিঞ্চন বিভাগক সাহার্য্য কৰাৰ প্ৰস্তাৱ লৈছে। উক্ত আঁচনিত জলসিঞ্চন বিভাগে অসমৰ বিত্ত বিভাগৰ জৰিয়তে চলিত ৪৭ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সম্পূৰ্ণ কৰিবৰ বাবে ১০.৩৮ কৌটি টকাৰ প্ৰাককলন ১১.১৭৯ হেক্টৰ খেতিৰ মাটি জলসিঞ্চনৰ দ্বাৰা উপকৃত কৰিবলৈ দাখিল কৰিছে। ইতিমধ্যে উক্ত সস্থাই ১০.৭৭২ কৌটি টকাৰ অনুমোদন দিয়া বুলি জানিব পৰা গৈছে বাকী বিভাগৰ অসম্পূৰ্ণ আঁচনি সমূহ পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰিবলৈ নাবাৰ্ডৰ ওচৰত প্ৰস্তাব দাঙি ধৰা হ'ব।

৪। ক্ষেত্ৰ উন্নয়ন কাৰ্য্যসূচী (চি, এ, ডি)

সম্পূৰ্ণ হোৱা ছয় টা জলসিঞ্চন আঁচনিৰ ক্ৰমে উন্নয়নৰ কাম হাতত লোৱা হৈছিল যদিও এই শিতানত আৱটন অতি কম হোৱা বাবে কামৰ অগ্ৰগতি সন্তোষজনক নহয়।

আমি আশা কৰিছো অহা বছৰ বিচৰা মতে জলসিঞ্চনৰ ধন পালে আমাৰ যিখিনি আঁচনি এতিয়ালৈকে কৰিব পৰা নাই বা যিখনি কাম আৰম্ভ কৰি ধনৰ অভাৱত সম্পূৰ্ণ কাম কৰি তুলিব পৰা নাই সেই খিনি সম্পূৰ্ণ কৰা হ'ব বুলি আশ্বাস দিছো। ধন্যবাদ।

## CONSIDERTION AND PASSING OF THE GOVT. BILLS

**Deputy Speker:** Now item No 4. Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Madam, I beg to move that "The Assam General Sales Tax (Amendment) Bill, 2000" be taken in to consideration.

**Deputy Speker:** There is a message from Governor of Assam, Raj Bhawan, Güwahati dated March 17,2000.

## ORDER

Under the provision of Article 207 (3) of the Constitution of India. I Lt. Gen. (Retd) S.K. Sinha PVSM, Governor of Assam recommend that the Assam General Sales Tax (Amendment) Bill, 2000 be taken into consideration by the Assam Legislative Assambly.

Sd/-
(Lt. Gen (Retd) S.K. Sinha, PVSM)
Governor of Assam

**Shri Prafulla Kumar Mahanta** :- (Chief Minister) Madam, I bg to move that "The Assam General sale tex (Ammendrent Bill 2002" be passed.

* **শ্ৰী হেমেন দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়া, যিটো উদ্দেশ্যত বিলখন আনিছে তাত আমি সমৰ্থন জনাইছো যদিও (ক) সম্পৰ্কত এটা কথা কবলগীয়া আছে। Set off of take paid on raw materals in cerlain cases. মেটেৰিয়েলচ ৰাজ্যখনৰ ভিতৰত উৎপাদনৰ কাৰণে ৰাজ্যখনৰ ভিতৰত ব্যৱস্থা হলে ভাল। কাৰণ উদ্যোগ বিলাকৰ সমস্যা আছে। কেতিয়াবা বেচা সামগ্ৰীৰ ওপৰত কৰ দিবলগীয়া হব আৰু তাৰ পৰা যিবিলাক বস্তু উৎপাদিত হয় তাতো কৰ দিবলগীয়া হয়। সৰিয়হৰ ওপৰত চাৰি শতাংশ আৰু তেলৰ ওপৰতো চাৰি শতাংশ কৰ দিবলগীয়া হয়। মুঠতে আঠ শতাংশ কৰ দিবলগীয়া হয়। সেই কাৰণে এই বিলাকত স্বাভাৱিকতে দুৰ্নীতি আহি পৰিব। যিবিলাক তেল মিলৰ মালিক তেওঁলোকৰ ওপৰত অযথা যাপি দিয়া হয়। ইয়াত যি কৈছে Permet full or partial set off of tax paid in side the station rawmaterats. তাত সৰিয়হৰ কৰ উঠাই দিয়ক। মিঠাতেলৰ কৰ থাকক। মৰাপাটৰ কৰ উঠাই দিয়ক। সমগ্ৰ কৰ সংগ্ৰহৰ কাৰণে বিলখন সমৰ্থন কৰিছো। কমিচনা টেক্সৰ হাতত বেছি ক্ষমতা দিয়া যেন অনুমান কৰিছো। কমিচনাৰজন ভাল বিষয়া হলেতো ভালেই হয়। যদি নিজৰ বেনিফিটৰ কাৰণে চমু তেতিয়াহলে অসুবিধা হব। পেজ চাৰি পেৰা তিনি Proviso শব্দটো হব নোৱাৰে। সেই কাৰণে এইটো শুদ্ধ কৰি লব লাগে। আজি আইন সম্পৰ্কত কিছু কথা চিন্তা কৰিবলগীয়া হৈছে। ইংৰাজী ভাষাটো সাহিত্য, সংস্কৃতি, নাটক প্ৰবন্ধ আদিত বেলেগ। তাত উচ্চস্তৰৰ ভাষা হলেও কোনো কথা নাই। কিন্তু আইনৰ ভাষাটো যাতে জনসাৰাণৰ সহজে বোধগম্য হয় তাৰ কাৰণে চিন্তা কৰিবলগীয়া হৈছে। ভালেমান আইন আছে তাত দেখা যায় আমাৰ নিচিনা মানুহেই মুৰ ঘমাৰলগীয়া হয়। আমাৰ সাধাৰণ মানুহৰ কল্যাণৰ কাৰণে যি আইন কৰা সেই আইন যাতে সৰ্বসাধাৰণে বুজি পায় সেই কথাটো চিন্তা কৰিব লাগে। ৰাজ্যিক ভাষাত আইন বিলাক হব লাগে। কাৰ্য্যালয়ত ৰাজ্যিক ভাষা নচলে। ইংৰাজীত সকলোৱে বুজিব পৰা কৈ লিখিব পাৰেনে নোৱাৰে। (ভইচ-সংস্কৃতি লিখক) সংস্কৃত

* Speech not corrected

সাধাৰণ মানুহৰ ভাষা নহয়। সাধাৰণ মানুহে ইংৰাজী পঢ়ে। সহজ ভাষাত লিখিলে ৰাইজ উপকৃত হব নহলে আইনৰ মেৰপাচ হব।

* **শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, আমি কেইটামান অভিচ ৰিপোৰ্ট দেখিছো বিশেষকৈ ৰুৰেল ডেভল'পমেণ্টৰ অভিচ ৰিপোৰ্টৰ দেখা যায় যে যিবিলাক বস্তু কিনা হয় যেনে — চি, আই চিট, ত্ৰিপাল, চিমেণ্ট, ৰড, তাত দেখা যায় কিন্তু বাকী কৰ ধৰা নাই। ইয়াৰ কাৰণে চৰকাৰে ৰাজহ হেৰুৱাইছে। আৰু কেইটামান কথাত বিক্ৰী কৰ লগাওতে চিন্তা কৰিব লাগে। চেল টেক্স লগাবলৈ যাওতে বৃহত্তৰ স্বাৰ্থ খতিগ্ৰস্ত হয় নে নহয়। জাগীৰোডত থকা ড্ৰাইফিচৰ ওপৰত বিক্ৰী কৰ লগাব লাগেন? জাগীৰোডৰ ড্ৰাইফিচ এচিয়াৰ ভিতৰতে ডাঙৰ। তাত ৩০ হাজাৰ মানুহ ওত্তঃপ্ৰোত ভাৱে জৰিত। তাত ড্ৰাই ফিচত বিক্ৰী কৰ লগাইছে। নৰ্থ-ইষ্টৰ কোনো ৰাজ্যত ড্ৰাই ফিচত বিক্ৰী কৰ নাই। উত্তৰ প্ৰদেশত লগাইছিল। তুলি দিছে। এতিয়া এখন ট্ৰাকৰ ওপৰত বিক্ৰী কৰ লগোৱাৰ কাৰণে ৫-৬ হাজাৰ অতিৰিক্ত দিবলগীয়া হৈছে ব্যৱসায়ী সকলক। মেঘালয়ৰ পৰা কনজুমাৰ বিলাকে কিনে। তাত ওপেন আছে। ইয়াৰ পৰা অসমৰ ৰেভিনিউ লচ হৈছে। চৰকাৰে পলিচি ললে, অসমৰ মানুহে যেতিয়া মদ খায়েই ইংৰাজত এতিয়া কথা হ'ল ড্ৰাইফিচৰ মাৰ্কেটৰ ওপৰত বিক্ৰী কৰ লগোৱাৰ ফলত মাৰ্কেট নৰ্থ ইষ্টৰ বিভিন্ন ৰাজ্যলৈ গৈ আছে। মাননীয় মীন মন্ত্ৰী নিজেই জাগীৰোডৰ। তেখেতে এইটো চৰকাৰৰ নটিচত আনিব লাগিছিল। ড্ৰাইফিচৰ ওপৰত বিক্ৰী কৰ লব ওপৰত বিক্ৰী কৰ নাই। ফ্ৰেচফিচ কিয় লগাব লাগে। ৩০ হাজাৰ জনসাৰাণ য'ত ওতঃপ্ৰতঃ ভাৱে জৰিত তেওঁলোকক জুলুম কৰা হৈছে। সেই কাৰণে আজি মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তেখেতে আগতে এই সদনতে কৈছিল বেলেগ ৰাজ্যত যদি নাথাকে তেতিয়াহলে বিবেচনা কৰিম। এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে দয়া কৰি জনাবনে নাই।

**Shri Prafulla Kumar Mahanta (Chief Minister) :** As the term easual dealer has not been defined in the Act, a doubt has arisen as the when a person is a casual dealer and whether he is liable to pay tax or not. In order to remove any such doubt and to make the intention of the legislature clear, it is proposed to incorporate a it definition of casual dealer in the Act.

The various chambers of commerce heve draw the attention of the Government that materials purchased from outside the state

* Speech not corrected

are cheaper as compared to those within the industries in the state have been demanding granting of set off tax paid on raw materisls inside the state of Assam against tax payable on sale of finished products. Considering the representations of the industries, it is proposed to incorporate a provision in the Act to empower the State Government to permit full or partial set off tax paid inside the state on raw materisls.

Though as per provision of Section 46a transporter was required to obtain registration and furnish some information to the Assessing officer, there was no proviosion for imposition of penalty for non compliance by the transporter. It is considerd desirable to medify the provision of the act as as arm the Commissioner with the powers to enforce the provisions of the Act and to impose penalty for non compliance of the provision by the transporer.

For carrying out the purposes of the Act and the rules framed thereunder, the Commissioner as a matter of convention was issuing circular and clarifications from time to time to remove doubts and confusion of Assessing officers and trading community. But it has now been held by the Court that in absence of any specifuc provision in the Act to issue such guideliness, the Commissioner is now empowered to do so. Therefore, in order to remove this difficulty in respect of issuing clarifications and in determining certain question etc. It is proposed to confer powers on the Commissioner by makingsuitable provision of in the Act. পৰামৰ্শ আগবঢ়াইছে মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই যি কৈছে সেইটো বিলখনৰ লগত সম্পৰ্ক নাই, সমগ্ৰ ৰাজ্যখনত কৰ দিয়াৰ কথাটো ইয়াত আছে। এই কথাটো ইয়াত স্পষ্ট ভাবে আছে।

The Bill seeks to tve effect to the above proposal by suitable amendments. আৰু মাননীয় সদস্য ডাঙৰীয়াই দ্ৰাইফিচৰ কথা কৈছে সেইটোত 'ৰিপাৰকেশ্যন' হৈছে। এই কথা বিলাক চোৱা হব। টেক্সৰ লগত মাৰ্কেটৰ কথাটো চাব।

**Deputy Speaker** :- I now put the motion before the House.

The motion is that --The Assam General Sales Tax Bill, 2000 be taken into consideration.

Those who are in favour say, 'Ayes'

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Notion is passed.

Now, item No. 4 (b)

There is no amendment on clauses 2,3,4 and 5 of the Bill.

I now put clause 2,3,4 and 5 of the Bill do stand part of the Bill.

Now i put clause 1, preambly Enacting Formula and Short Title of the Bill befor the House for approval.

The question is that Clause 1, Preamble, Enacting Formula and Short Title do stand part of the bill.

Those are in favour say, 'Ayes'

Those who are against, say, 'Noes'

Clause 1, Preamble, Enacting Formula and Short Title do form part of the Bill.

Now item No. 4 (c)

Hon'ble Chief Minister to move.

Shri Prafulla Kumar Mahanta. (Chief Minister) Hon'ble Madam, I beg to move that the Assam Ceneral Salex Tax (Amendment) Bill, 2000 be passed.

**Deputy Speaker** :- I now put the motion before the House. The motion is that - That Assam General Sales Tax (Amendment) Bill, 2000 be passed.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed.

The Bill is passed.

Now, item No. 5. Hon'ble Chief Minister to move.

There is a message of Governor of Assam Raj Bhawan, Guwahati. Dated 8th March, 2000.

## ORDER

Under the provision of Article 207 (3) of the COnstitution of India, I, Lt Gen (Retd) S.K. Sinha, PVSM, Govenor of Assam, recommend that the Assam Taxation (Settlement of Disputes) Bill, 2000 to be taken into consideration by the Assam Legislative Assembly.

Sd/

(Lt. Gen(Retd) S.K. Sinha, PVSM)
Governor of Assam.

Now Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) :- Hon'ble Madam, I beg to move that the Assam Laxation (Settlement of Disputes) Bill, 2000 be taken into consideration.

* **শ্ৰী হেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়া, এই লিখনত কোৱা হৈছে যে আমাৰ মানুহৰ টকা বিভিন্ন প্ৰকাৰে গৈ আছে। মাননীয় মুখ্য মন্ত্ৰীয়ে বাজেটত উৎথাপন কৰিছে আমাৰ অধিক টকা বন্ধ হৈ আছে বিভিন্ন গোচৰৰ কাৰণে। আমি চিন্তা কৰিব লাগে আমাৰ যিখন ৰাজ্য চৰকাৰ যি কৰ্ম্মচাৰীসকলক প্ৰথম সপ্তাহত দৰমহা দিব পৰা নাই, সেই সকলৰ কৌটি কৌটি টকা বন্ধ হৈ আছে বিভিন্ন গোচৰত। গোচৰ কৰে গোচৰ বিলাক মিমাংসা নহয়। হাইকৰ্টে এই গোচৰ বিলাক কিয় নিস্পত্তি কৰা নাই। আমি হাইকৰ্টক সমালোচনা কৰিব নেলাগে তথাপি হাইকৰ্টৰ কথা কবলগীয়া হৈছে — কিয়নো এই গোচৰ বিলাক বছৰৰ পিচত বছৰ ধৰি বিভিন্ন কাৰণত পৰি থাকে। এইটো ৰাজ্য চৰকাৰে চোৱাটো দৰকাৰ। আমাৰ গণতন্ত্ৰত চাৰি তন্ত্ৰ বুলি কোৱা হয়। একজিকিউটিভ, লেজিচলেটিভ, জুডিচিয়েৰী এই তিনিটা একমাত্ৰ কাৰ্য্যক্ষম হৈ থাকিব লাগে কিন্তু দেখা গৈছে জুডিচিয়েৰীৰ ক্ষেত্ৰত তেনে হোৱা নাই। জুডিচিয়েৰীয় যিমান কৰিব লাগে তিমান কৰা নাই। গোচৰ বিলাক সোনকালে সমাধান কৰিব লাগে। বিভিন্ন

* Speech not corrected

গোচৰৰ বাবে যি এডভোকেট থাকে তেওঁলোকে সোনকালে মিমাংসা নকৰাৰ কাৰণে ৮০ কৌটি কৈ অধিক টকা বন্ধ হৈ থকাৰ কাৰণে চৰকাৰে এইখন বিল আনিব লগা হৈছে। ছুপ্ৰিম কৰ্ট পৰ্য্যন্ত পেভিং হৈ আছে।

উপাধ্যক্ষ মহোদয়া, চৰকাৰে নতুনকৈ আইন আনিব লগা হৈছে। বন্ধ হৈ থকাৰ কাৰণে আইন আনিব লগা হৈছে। চুপ্ৰিম কোৰ্টত গৈছে কোৰ্টে নিষ্পত্তি কৰি নিদিয়াটো বেলেগ। বাকী কেচ বিলাক নিষ্পত্তি কৰিবলগীয়া হৈছে। এই বিষয়ে চিন্তা কৰিবলগীয়া হৈছে। যি ৰাজহ সংগ্ৰহ কৰে, সেইটো অদৃশ্য নহয়, দৃশ্য হিচাবে কৰি আছে। এই কেচ বিলাক কিয় পেনডিং কৰি ৰাখিব এইটো সমৰ্থন কৰিব নোৱাৰি। বিলখনৰ চেকচন সাত উপধাৰা দুই নম্বৰ এইটো বুজিব পৰা নাই, দোষ কৰিলে শাস্তি হয়, কিন্তু পেনাল্টি কিয় নেপায়। তেওঁলোকক শাস্তি বিহিছে, জৰিমণা কিয় বাদ দিছে? এই সকল দৰিদ্ৰ নহয়, ধুৰধৰ মানুহ। নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে কৰ ফাকি দিবৰ কাৰণে কেচ কৰিব। এই ক্ষেত্ৰত ন্যায় বিচাৰ কৰিব লাগে। ইয়াৰ পৰিত্ৰাণ পাবৰ কাৰণে আইন খন আনিছিল। আইন বিলাকৰ কথা উল্লেখ কৰিছে, কৰ আদায় কৰাৰ পথ লৈছে, এইটো পশ্চিমবঙ্গ চৰকাৰৰ আছে নেকি উল্লেখ কৰিছে। গভৰ্নমেণ্ট অব ইণ্ডিয়াৰ আইন অনা হৈছে তাক সমৰ্ধন কৰিছো। আইন শৃঙ্খলা ৰাজ্যখনৰ আৰ্থনৈতিক অৱস্থা উন্নতি কৰাৰ কাৰণেহে। ধন্যবাদ।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইটো ঠিকেই আছে। আমি বিভিন্ন ষ্টেটৰ লগত আলোচনা কৰি এই বিলখন অনাৰ সিদ্ধান্ত লৈছো। এই ক্ষেত্ৰত যদি সদনৰ কিবা কব লগা থাকে নিশ্চই কৰা হব। কেচ বিলাক বহুত বছৰ পৰি থকাৰ কাৰণে বিলখন আনিব লগা হৈছে। এই বিলখন পাছ কৰাৰ কাৰণে মই সকলোকে অনুৰোধ কৰিছো।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, এই ক্ষেত্ৰত টাইম ৰাউণ্ড থাকে নেকি? গুৱাহাটী হাইকোৰ্টত কেচ পেন্ডিং হৈ আছে, যিখিনি কেচ পেন্ডিং হৈ আছে এই ক্ষেত্ৰত মুখ্য মন্ত্ৰী মহোদয়ে যিখন বিল আনিছে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। এই কেচ বিলাক টাইম ৰাইণ্ড হিচাবে দিচপোজ কৰিব নেকি?

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়া, ২০০০ চনৰ ৩১ মাৰ্চলৈ যিখিনি কেচ পৰি আছে সেইখিনি দিচপোজ কৰিবৰ কাৰণে বিলখন অনা হৈছে। প্ৰথমতে এইখিনি দিব খুজিছো, বাকীখিনি পিচত চোৱা হব।

**Deputy Spekar** : I now put the motion before the house. The motion is that -

The Assam Taxation (Settlement of Disputes) Bill, 2000 be taken into consideration. Those who are in favour, say Ayes, those who are against, say, Nose. Ayes have it, Ayes have it, Ayes have it, the Motion is passed.

Now Item No. 5(b).

There is no amendment on claused 2,3,4,5,6,7,8,9,10,11,12,13,14,15 and 16 of the Bill. I now put clause 2,3,4,5,6,7,8,9,10,11,12,13,14,15 & 16 of the Bill before the House. The question is that Clause 2,3,4,5,6,7,8,9,10,11,12,13,14,15 &16 of the Bill do stand part of the Bill. Those who are in favour, say, Ayes, those who are against say, Noes. Ayes have it, Ayes have it, Ayes have it, Clauses 2,3,4,5,6,7,8,9,10,11,12,13,14,15 & 16 of the Bill do form part of the Bill.

Now I put Clause 1, Enacting Formula and Short Title of the Bill before the House for approval. The question is that Clause 1, Enacting Formula and Short Title do stand part of the Bill. Those who are in favour, say, Ayes, those who are against, say Nose. Ayes have it, Ayes have it, Ayes have it, Ayes it, Clause 1, Enacting Formula and SHort Title do form part of the Bill.

Now Item No. 5 (c).

Hon. Chief Minister the. move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) :- I beg to move that 'The Assam Taxation (Settlement of Disputes) Bill, 2000 be passed.

**Dy. Speaker** :- I now put the motion before the House. The motion is that -'The Assam Taxation (Settlement of Disputes) Bill, 2000 be passed. Those who are in favour, say, Ayes, those who are against, say Noes. Ayes have it, Ayes have it, Ayes have it, the Motion is passed, the Bill is passed.

Now item No. 6. (a).

There is a message from the Governor of Assam, Raj Bhavan, Guwahati, Dated 17th March 2000.

Raj Bhavan,
Guwahati.
March, 17,2000

## ORDER

Under the provision of Article 207 (3) of the Constitution of India, I, Lt. Gen (Retf.) S.K. Sinha, PVSM, Governor of Assam, recommend that the Assam Agricultural Income Tax (Amendment) Bill, 2000 be taken into consideration by the Assam Legislative Assambly.

Sd/
Lt. Gen. (Retd)
(S. K. Sinha PVSm)
Governor of Assam.

Now Hon. Chief Minister to move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) :- I beg to move that The Assam Agricultural Income Tax (Amendment) Bill, 2000 be taken into consideration.

**Dy Speaker** :- I now put the Motion before the House. The Motion is that - The Assam Agricultural Income Tax (Amendment) Bill, 2000 be taken into consideration. Those who are in favour, say, Ayes, those who are against say, Nose. Ayes it, have it, Ayes have it, the Motion is passed.

Now Item No 6(b).

There is no amendment on Clauses 2,3,4, of the Bill. I now put Clauses 2,3,&4 of the Bill before the House. The question is that --Clauses 2,3, & 4 of the Bill do stand part of the Bill.

Those who are in favour, say, Ayes, those who are against say, Noes. Ayes have it, Ayes have it. Ayes have it, Clauses 2,3, & 4 of the Bill do form part of the Bill.

Now I put Clause 1, Presmble Enacting Formula and Short Title of the Bill before the House for approval. The question is that Clause 1, Proamble, Enacting Formula and Short Title do stand part of the Bill. Those who are in favour, Say , Ayes those who are against, say, Nose. Ayes have it, Ayes have it, Clause 1, the Bill.

Now Item No. 6. (c)

Hon. Chief Minister to move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) :- I beg to move that 'The Assam Agricultural Income Tax (Amendment) Bill, 2000 be passed.

**Dy. Speaker** :- I now put the Motion before the House. The Motion is that The Assam Agricultural Income Tax (Amendment) Bill, 2000 be passed.

Those who are in favour say, Ayes, those who are against, sy, Noes, Ayes have it, Ayes have it, Ayes it, the Motion is passed, the Bill is passed.

I now request the Hon' Minister, Shri Hiranya Konwar to lay the 11th Annual Report of Assam Minister Dev Corpn. Ltd. for the year 1993-94.

**Shri Hiranya Konwar** ( Minister) :-Dy Speaker, Madem, I beg to lay the 11th Annual Report of Assam Mineral Dev, Corpn. Ltd. for the year 1993-94.

**Hon'ble Dy. Speaker** :- Hon. Minister, Shri H. Konwar to lay the Annual Financial Statement of Assam State Electricity Board for the year 1999-2000.

**Shri Hiranya Konwar** ( Minister) :-Dy Speaker, Madem, I beg to lay the Annual Financial Statement of ASEB for the year 1999-2000.

**Dy. Speaker** :- Hon. Minister, Food & Civil Suppliess to lay the Notification No. FSB. 239/95/77 dt.14.2.2000 on the Assam paddy and Rice Procurement (Levy and Licencing) (Amendment) Permanent Order, 1999.

**Shri Hiranya Konwar** ( Minister) :-Dy Speaker, Madem, I beg to lay the Notification No.FSB.239/95/77 dt. 14.2.2000 on the Assam paddy and Rice Procurement (Levy and Licencing) Amendment) Permannant Order, 1999.

**Dy. Speaker** :- Hon. Minister, Health & FW to lay the Audit Report.

**Dr. Kamala Kanta Kalita** ( Minister, Health & FW) :- Dy Speaker, Madam, I beg to lay the Audit Report on the Accounts of Society for Lmplementation of Assam Area Project under IPP-IX, Guwahati, for the year 1995-96 and 1996-97.

**Dy. Speaker** :- Hon. Minister, Shri Dilip Kr. Saikia, (Committee on Estimates, ALA) to present the 74th Report.

**Shri Dilip Kr. Saikia** ( Chairman ) :- Dy Speaker, Madam, I beg to present the 74th Report of the Committee on Estimates pertaining to D.P.E.P. Assam.

**Dy. Speaker** :- Hon. Chief Minister, to lay the Report on 1st.

**Shri Prafulla Kumar Mahanta** (Chief Minister) :- Dy. Speaker, Madam, I beg to lay the Roport on Ist activities in Assam.

**Dy. Speaker** :- The House stands adjourned till 4 P.M. April 7, 2000.

## ADJOURNMENT

The House stood adjourned at 6.40 P.M. till 4.00 P.M. on Friday the 7th April, 2000.

Dispur
The 6th April,2000

D. Talukder,
Secretary,
Assam Legistative Assambly